OFFICE COPY
Paclatic ?


# চিন্তামঞ্চ

প্ৰথম বছৰ ঃ ৫ ম সংখ্যা ঃ ডিচেম্বৰ '৯৬

**অসমৰ আসোঁৱাহপূৰ্ণ (১০+২) শিক্ষা ব্যৱস্থা আৰু নিৰাময়ৰ উপায়**

- ব্ৰেখটৰ কবিতা
- হীৰেণ গোঁহাইৰ লেখনী
- মৃত্যুঞ্জয় মহন্তৰ গল্প

## সামৰিক শাসনৰ অৰ্দ্ধযুগ !



OKDISCD

স
ম্পা
দ
কী
য়

# সামৰিক বাহিনী প্ৰত্যাহাৰ কৰক

সংবাদ মাধ্যমত বাংগালোৰত হৈ যোৱা সুন্দৰী মেলাৰ খবৰ চেঁচা নহওঁতেই অসমে সামৰিক শাসনৰ অৰ্দ্ধ যুগ অতিক্ৰম কৰিছে। ১৯৯০ চনৰ ২৮ নৱেম্বৰৰ পৰা ১৯৯৬ চনৰ ২৮ নৱেম্বৰলৈ সামৰিক শাসনৰ কালত অসমে কি পালে কি নাপালে শান্তিৰ পৰিবেশ ৰচনা কৰাৰ স্বাৰ্থতেই ইয়াৰ সঠিক হিচাব নিকাচ হোৱা দৰকাৰ।

বিচ্ছিন্নতাবাদী শক্তিবিলাক দমন কৰাই যদি সামৰিক শাসনৰ উদ্দেশ্য আছিল তেনেহ'লে এইটো নিশ্চিত হোৱা দৰকাৰ যে সামৰিক শাসনে বিচ্ছিন্নতাবাদৰ সমস্যাটো সমাধান কৰাৰ পথ কিমান দুৰ প্ৰশস্ত কৰিব পাৰিব বা সমস্যাটোৰ স্থায়ী সমাধান সম্ভৱ হ'বনে ? বিচ্ছিন্নতাৰ দাবীৰ আঁৰত ক্ৰিয়া কৰি থকা কাৰণবোৰ বিচাৰি নুলিওৱাকৈ ইয়াৰ উত্তৰ নিশ্চিত কৰিব নোৱাৰি।

অসমত আলফা উত্থানৰ আগৰ সময় ছোৱাত ভিন্ ভিন্ সমস্যাৰ পটভুমিত জাতীয় আন্দোলনে গা কৰি উঠিছে। এই আন্দোলনবিলাকৰ সমাপ্তিৰ আঁৰত আছে সমস্যা বিলাক সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ভুৱা প্ৰতিশ্ৰুতি। আমি 'অসম চুক্তি'ৰ উদাহৰণটো চাওঁ তেন্তে এই চুক্তি ৰূপায়িত হ'লনে ?

অথচ, বিদেশী বিতাৰণৰ দাবীত হোৱা যি আন্দোলনৰ ফলশ্ৰুতিত অসম চুক্তি স্বাক্ষৰিত হৈছিল, সেই আন্দোলনত অসমৰ ছশ নৱৈ গৰাকী যুৱকে প্ৰাণাহুতি দিছিল বিদেশী বিতাৰণৰ দাবীত। কিন্তু চুক্তি স্বাক্ষৰিত হোৱাৰ পিছতো বিতাৰিত হোৱাটো বাদেই, আই. এম. ডি. টি আইনখনক লৈয়ে বিতৰ্ক শেষ হোৱা নাই এতিয়াও।

সামগ্ৰীক ভাবে বিচ্ছিন্নতাৰ দাবীটোৰ আঁৰত ক্ৰিয়া কৰি আছে ভাৰতবৰ্ষৰ সংসদীয় ব্যৱস্থাটোৰ প্ৰতি হোৱা মোহভঙ্গই। গতিকে প্ৰথম প্ৰশ্নটো আহিছে সামৰিক শাসনে অসমৰ বিচ্ছিন্নতাবাদী শক্তিসমূহৰ মনত ভাৰতবৰ্ষৰ সংসদীয় ব্যৱস্থাটোৰ প্ৰতি মোহ জন্মাব পাৰিবনে নোৱাৰে।

দ্বিতীয়তে, বিচ্ছিন্নতাৰ দাবীটোৰ আঁৰত যিবিলাক সমস্যা আছে (যেনে জাতীয় আত্মনিয়ন্ত্ৰণৰ সমস্যা) সেই সমস্যাবিলাক সমাধানৰ বাবে ৰাজ্য চৰকাৰ তথা কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগ কেৱল মুখৰ কথাই নহৈ হাতে কামেও হ'লে বিচ্ছিন্নতাৰ দাবীটোৱেই ভিত্তিহীন হ'ব আৰু বিচ্ছিন্নতাবাদী সকলে কাৰ্যতঃ জনপ্ৰিয়তা হেৰুৱাব।

এই অৰ্থত, বিচ্ছিন্নতাবাদৰ সমস্যাটোৰ সমাধান হ'ব পাৰে কেৱল ৰাজনৈতিক সদিচ্ছাৰেহে ইয়াৰ বাবে চৰকাৰেই আটাইতকৈ বেছি তৎপৰতা দেখুৱাব লাগিব আৰু নিজৰ আন্তৰিক সদিচ্ছা প্ৰতিষ্ঠা কৰিব লাগিব। সামৰিক শাসনৰ যোৱা ছটা বছৰত কিন্তু সমস্যাটো সমাধানৰ ইংগিত বিচাৰি নাপালে।

কটন কলেজৰ ছাত্ৰ বন্ধু এজনে আমালৈ চিঠি লিখিছে — সুন্দৰী মেলাই বাংগালোৰ চহৰ চল-টল কৰা সময়তো চিন্তামঞ্চ মনে মনে আছে কিয় ? পঁচিশ হেজাৰ টকাৰ টিকট কিনি 'সুন্দৰী' চাবলৈ উচ্‌পিচাই থকা সকলৰ আশাত কৰ্ণাটক উচ্চ ন্যায়ালয়ে যিটো ৰায়ত প্ৰতিযোগিতাত অশ্লীলতা আৰু নগ্নতা প্ৰদৰ্শন নকৰাৰ চৰ্ত আৰোপ কৰি চেঁচা পানী ঢালিছিল, উচ্চতম ন্যায়ালয়ে উচ্চ ন্যায়ালয়ৰ সেই ৰায়টো স্থগিত ৰাখি বুৰ্জোৱা অপ-সংস্কৃতিৰ ওচৰত ভাৰতবৰ্ষৰ আত্মসমৰ্পন সম্পূৰ্ণ কৰিলে।

আনহাতে আমাৰ সমাজৰ তথাকথিত বুদ্ধিজীৱি চামৰো কিছু কৰণীয় আছে। তেওঁলোকে সামৰিক শাসনৰ বিৰুদ্ধে মাৰ বান্ধি থিয় হোৱা দৰকাৰ। কিয়নো সামৰিক শাসনে কাৰ্যতঃ এতিয়ালৈকে কোনো আশাৰ বতৰা কঢ়িয়াব পৰা নাই বুলি তেওঁলোকেই কাকতে পত্ৰই আস্ফালন কৰি আছে। অৱশ্যে দুই এজন বুদ্ধিজীৱিয়ে আকৌ সামৰিক বাহিনীৰ অত্যাচাৰবোৰক, সামৰিক বাহিনীয়ে কৰা অপকৰ্মবোৰক দুৰ্ঘটনা বুলি অভিহিত কৰি সেনাৰ প্ৰশংসা গোৱাও পৰিলক্ষিত হৈছে। আন এচামে আকৌ এইটো সন্ত্ৰাসবাদৰ সমস্যা বুলি সমগ্ৰ প্ৰক্ৰিয়াটোকেই আওকান কৰি মোটোকা মাৰি শুই থকাত পৰিলক্ষিত হৈছে। এইক্ষেত্ৰত আমি আহ্বান জনাও যে তেওঁলোকে কাগজে কলমে কৰা বৃথা আস্ফালন বন্ধ কৰি এই ৰাজনৈতিক সমস্যাটোৰ বিষয়ে চিন্তা চৰ্চা কৰক আৰু সমস্যাৰ আশু সমাধানৰ বাবে পথ মুকলি কৰক। ঐতিহাসিক ভাবেই আমি প্ৰমান পাই আহিছো যে চাপৰিলেই মেঘ নেৰাই।

চৰকাৰে দোষী জোৱানক শাস্তি দিয়া হ'ব, তদন্ত কৰা হ'ব ইত্যাদি ঘোষণা কৰিলেও বাম কলাখোৱাৰ ধৰ্ষিতা আই-বাই-ভনীহঁতে নিজৰ হেৰুৱা সতীত্ব ঘুৰাই নাপায়, এতিয়ালৈকে নিহত হোৱা ভাই-ককাইহঁতৰ হেৰুৱা জীৱনো আমি ঘুৰাই নাপাও। তেওঁলোকৰ হেৰুৱা বৰ্তমানখিনিৰ প্ৰতি লক্ষ্য ৰাখি আমি দাবী জনাও যে চৰকাৰে সেনা বাহিনী প্ৰত্যাহাৰ কৰক। শান্তি প্ৰতিষ্ঠাৰ বাট মুকলি কৰক।❑

OKDISCD

## মতামত

### শিক্ষক - ছাত্ৰ - অভিভাৱকৰ দায়িত্ব সম্পৰ্কে মত

আজি কিছু দিনৰ আগতে শ্ৰী পূৰ্ণ কান্ত নাথ নামৰ শিক্ষক পৰীক্ষক এজনে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ অসমীয়া বিষয়ৰ প্ৰশ্নোত্তৰ বহী পৰীক্ষা কৰাৰ অভিজ্ঞতাৰে অসমৰ অসমীয়া ছাত্ৰই অসমীয়া প্ৰশ্নকাকতখনৰ কেইটামান প্ৰশ্নৰ উত্তৰ যেনেধৰণে দিয়া বুলি লিখিছে — ই দুভাৰ্গ্যজনক। সঁচাকৈ আপুনি ভাবিবলৈ বাধ্য হ'ব এই পৰীক্ষাৰ্থী কেইজনে কেনেকৈ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা দিয়াৰ সুবিধা পালেগৈ। এইটো এটা উদাহৰণ।

শিক্ষাক ইতিবাচক পথত চালিত কৰিবৰ কাৰণে শিক্ষক ছাত্ৰ আৰু অভিভাৱক এই তিনিটা প্ৰধান ভেটিৰ সমন্বয় সাধন কৰিব লাগিব। প্ৰত্যেকৰে নিজা নিজা কৰ্তব্য আৰু দায়িত্ব আছে। প্ৰত্যেকেই নিজ নিজ কৰ্তব্য আৰু দায়িত্বৰ প্ৰতি সচেতন থাকিব লাগিব। ভুল ক্ৰটিবোৰ পাৰস্পৰিক বুজা পৰা মাধ্যমেৰে আঁতৰ কৰিব লাগিব। সেইবিলাক পদক্ষেপ ল'ব লাগিব, যিবিলাক পদক্ষেপে এক সুস্থ শৈক্ষিক পৰিবেশ গঢ়ি তুলিব পাৰে। বিশেষকৈ গ্ৰাম্যাঞ্চলৰ অভিভাৱক সকলৰ অসচেতনতা শৈক্ষিক ক্ষেত্ৰত এক সমস্যা। গ্ৰাম্যাঞ্চল সমূহৰ অভিভাৱকসকল অৱশ্যে অভাৱ অনাটনকে ধৰি নানা সমস্যাত জুৰুলা। বহু অভিভাৱকে সন্তানক ইউনিফৰ্ম বা কিতাপ-কাগজখিনি যোগাৰ কৰি দিয়াতে কৰ্তব্য শেষ বুলি ভাবে। বহুতে আকৌ সন্তানক বিদ্যালয়ত নামটো লিখাই দিয়াতেই কৰ্তব্য শেষ কৰিছে। ছাত্ৰ-ছাত্ৰীয়ে প্ৰয়োজনীয় বস্তু বিলাক পাইছেনে নাই, বিদ্যালয়ৰ সময়ৰ বাহিৰৰ সময়খিনি তেওঁলোকে কেনেকৈ ব্যৱহাৰ কৰিছে, নিজৰ অঞ্চলটোৰ শৈক্ষিক, সাংস্কৃতিক, সামাজিক, ৰাজনৈতিক আদি পৰিবেশৰ লগত তেওঁলোক কেনে ভাবে জড়িত হৈছে ইত্যাদি বিষয়বোৰত বহু অভিভাৱকে খবৰ নাৰাখে। গতিকে এনে অৱস্থাত শিক্ষক তথা শিক্ষাবিদ সকলে শিক্ষাক জনজীৱনৰ মাজলৈ যদি লৈ যাব নোৱাৰে তেনেহ'লে তেনে শিক্ষা বাস্তৱত ফলপ্ৰসু নহ'ব। অভিভাৱকসকলে নিশ্চিত ভাবে এইটো বুজি উঠিব লাগিব যে ছাত্ৰ-ছাত্ৰীক ঠিক পথত ৰাখি শিক্ষা গ্ৰহণৰ বাবে এটা সুস্থ শৈক্ষিক পৰিবেশ গঢ়ি তুলিবলৈ তেওঁলোকৰো যথেষ্ট কৰণীয় আছে।

এইটো নতুনকৈ কোৱাৰ প্ৰয়োজন নাই যে শিক্ষাৰ পৰিবেশ উন্নত কৰাৰ বাবে শিক্ষক সকলেই সবাতোকৈ গধুৰ দায়িত্ব মুৰ পাতি ল'ব লাগিব। শিক্ষক সুলভ ব্যক্তিত্ব, শিক্ষাদানৰ বাবে গভীৰ অধ্যয়ন, শিক্ষাদানৰ নিত্য নতুন কৌশল প্ৰয়োগ, আৰ্হি প্ৰদৰ্শন আদিৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকে বেছিকৈ আকৰ্ষিত কৰিব পাৰে। শিক্ষকতাক বৃত্তিতকৈ ব্ৰত হিচাপে গ্ৰহণ কৰিব পৰাতেই শিক্ষক সকলক কৃতকাৰ্যতা। ছাত্ৰ সমাজেও আজি নিজক সমালোচনা কৰা, নিজৰ ভুল-ক্ৰটি সমূহ আঁতৰোৱাৰ বাবে চিন্তা কৰাৰ সময় হৈছে। ভৱিষ্যতে এখন সুন্দৰ সমাজ তেওঁলোকেই গঢ়ি তুলিব লাগিব।

দেৱ নাথ

অধ্যক্ষ, কপাহেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়।



### চিন্তামঞ্চ নীৰৱ কিয় ?

যোৱা বছৰত আফ্ৰিকাত পতা সৌন্দৰ্য প্ৰতিযোগিতাৰ অন্তত এই বছৰ ভাৰতবৰ্ষ বাঙ্গালোৰ চহৰত সৌন্দৰ্য প্ৰতিযোগিতা পাতিবলৈ লৈছে। ইয়াৰ মুখ্য ভুমিকা গ্ৰহণ কৰিছে হিন্দী ছবি জগতৰ মেগাষ্টাৰ অমিতাভ বচ্চনে। পৃথিৱীৰ বহুতো দেশৰ সুন্দৰী সকলে ইয়াত নিজৰ দেহা প্ৰদৰ্শন কৰিব।

ছাত্ৰ-যুৱকসকলৰ মাজত সুন্দৰী প্ৰতিযোগিতাৰ জনপ্ৰিয়তা বেছিকৈ দেখা গৈছে। ফলত তেওঁলোক কিছু ক্ষেত্ৰত তেওঁলোকৰ প্ৰধান কতৰ্ব্যৰ পৰা ফালৰি কাটি অহা দেখা গৈছে। যিহেতু ছাত্ৰ-ছাত্ৰীসকলেই দেশৰ ভৱিষ্যত, গতিকে তেওঁলোকক তেওঁলোকৰ মনত অশ্লীল নগ্নতা প্ৰদৰ্শনী প্ৰতিযোগিতা বন্ধ কৰিবলৈ সকলো সচেতন মানুহেই মাৰ বান্ধি থিয় হোৱা দৰকাৰ। চৰকাৰেও বিৰোধিতা কৰাৰ পৰিবৰ্তে সমৰ্থনহে কৰা দেখা গৈছে।

চিন্তামঞ্চ যিহেতু এটা সচেতন যুৱ ছাত্ৰ সংগঠন গতিকে চিন্তামঞ্চইও চিন্তামঞ্চৰ তৰফৰ পৰা প্ৰতিবাদ কাৰ্যসূচী হাতত ল'ব লাগিছিল। অমিতাভ বচ্চনৰ দৰে পুঁজিপতিসকলৰ নিজৰ স্বাৰ্থৰ কাৰণে সামাজিক স্বাৰ্থ বিলিন কৰা সকলক তীব্ৰ ভাষাৰে গৰিহনা দিব লাগিছিল। চিন্তামঞ্চৰ নীৰৱতাৰ কাৰণ নুবুজিলো।

পদুম মেধী

ছাত্ৰ, কটন কলেজ, গুৱাহাটী।

### অসম ৰাজ্যিক প্ৰাথমিক শিক্ষা সন্মিলনীৰ পৰা চিন্তামঞ্চলৈ অভিনন্দন

প্ৰতি, মাননীয় সম্পাদক,

চিন্তামঞ্চ, অসম

মহাশয়,

নমস্কাৰ গ্ৰহণ কৰিব। ৰাজ্যখনৰ প্ৰাথমিক শিক্ষক সকলৰ অভাৱ-অভিযোগ আৰু নাৰ্য্য দাবী সমূহ চৰকাৰে পূৰণ নকৰাত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষকসকলে চলাই থকা আন্দোলনৰ কাৰ্যসূচীলৈ চিন্তামঞ্চই সম্পূৰ্ণ সমৰ্থন আগবঢ়োৱাত আমি নথৈ আনন্দিত।

তাৰ বাবে আপোনালোকৰ অনুষ্ঠান তথা সমুহ কৰ্মকৰ্তাবৃন্দলৈ আমাৰ অভিনন্দন জ্ঞাপন কৰিলো। আশা কৰো আপোনালোক আৰু আপোনালোকৰ দৰে আন আন সংগঠন, অনুষ্ঠানৰ পৰা এনেধৰণৰ সমৰ্থন তথা সহাৰি সহযোগ পালে আমাৰ লক্ষ্যত আমি উপনীত হ'ব পাৰিম। ধন্যবাদ,

শ্ৰদ্ধাৰে —

শ্ৰী ভুৱনেশ্বৰ বৰা

সাধাৰণ সম্পাদক,

অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনী।

চিন্তন

# সামৰিক শাসনৰ অৰ্দ্ধ যুগ — দায়ী কোন ?

❑ প্ৰবীন দোলাকাষৰীয়া

জাতীয় অস্তিত্ব ৰক্ষাৰ বাবে ছশ নব্বৈ গৰাকী ছহিদৰ প্ৰাণাহুতিৰ ইতিহাসেই হ'ল অসম গণ পৰিষদৰ ইতিহাস। স্বাভাৱিকতেই জাতীয় আঞ্চলিক ৰাজনৈতিক দল অ. গ. প. ৰ পৰা অসমৰ জনগণে বিচাৰিছিল অসমৰ জাতীয় স্বাৰ্থত বলিষ্ঠ পদক্ষেপ। ১৯৯০ চনৰ ২৮ নৱেম্বৰত যি অ গ প দলৰ চৰকাৰক বৰ্খাস্ত কৰি অসমত সামৰিক শাসন জাপি দিয়া হৈছিল, ১৯৯৬ ত পুনৰ ক্ষমতালৈ আহি সেই একে দলৰ নেতৃত্বাধীন চৰকাৰেই অসমৰ পৰা সেনাক বেৰেকলৈ ঘুৰাই পথোৱাৰ কথা কলেই নাৰাজ। কাৰণ ? শান্তি প্ৰতিষ্ঠাৰ বাবেই হেনো সেনাক ৰাখিব লাগিব, যি সেনাই ডিব্ৰুগড়ৰ বাম কলাখোৱাত যোৱা ২৬ অক্টোবৰত দহ গৰাকী মহিলাক ধৰ্ষণ কৰি নিজৰ বীৰত্ব প্ৰকাশ কৰিছে।

যোৱা ১৬ নবেম্বৰ সংখ্যাৰ 'অসমীয়া প্ৰতিদিন' কাকতৰ তৌবা তৌবা শিতানত উল্লেখ কৰা এটা ঘটনা মনত পৰিছে। মন্ত্ৰীয়ে ছোৱালী কলেজ সপ্তাহ অনুষ্ঠানৰ পুৰষ্কাৰ বিতৰণ কৰিছে। মন্ত্ৰীয়ে পুৰষ্কাৰ দি থকা সময়ত ছোৱালীহঁতৰ পিঠিত থপৰিয়াই কৈ গৈছে "মা, বেছ কৰেছ, খুউব ভাল কৰেছ মা ....... । তাৰে এগৰাকী ছাত্ৰীয়ে কেইবাটাও পুৰষ্কাৰ পাইছে। যিমানবাৰ পুৰষ্কাৰ লবলৈ মঞ্চত উঠিল সিমানবাৰেই মন্ত্ৰীয়ে পিঠিত থপৰিয়াই ক'লে ... "মা বেছ কৰেছ, খউব ভাল কৰেছ .......''। এপাকত ছোৱালী জনীয়ে মন্ত্ৰীক উভতি ধৰিলে। ছোৱালীজনীয়ে ক'লে "মুখটাতো অনেকবাৰ মা মা বলছেন, হাতটাতো বলেছে না .........''।

আচল কথাটো হ'ল, নিজৰ নিজৰ মূৰ আনৰ পকেটত ভৰাই নোথোৱাকৈ প্ৰফুল্ল মহন্তই দিছপুৰত চৰকাৰ টিকাই ৰাখিব নোৱাৰে। কাৰ পকেটত নিজৰ মুৰ ভৰাই নথলেই নহয় সেইটো উদঘাটন কৰা দৰকাৰ।

(১) মানৱ সমাজৰ বিকাশৰ এটা পৰ্যায়ত সমাজ দুটা শ্ৰেণী ভাগ হৈ গৈছিল। এমুঠি শোষকৰ বঞ্চনাৰ বিৰুদ্ধে সংখ্যাগৰিষ্ঠ শোষিত জনগণৰ প্ৰতিবাদ দমন নকৰাকৈ স্বাভাৱিক কাৰণতে শোষক বিলাকে নিজৰ শোষণ বৰ্তাই ৰাখিব নোৱাৰে। শোষিত জনগণৰ ক্ষোভ প্ৰতিবাদ দমন কৰাৰ বাবে ঐতিহাসিক ভাবেই ৰাষ্ট্ৰৰ উদ্ভৱ ঘটোৱা হৈছিল। আমোলা বাহিনী, জেলখানা, সেনাবাহিনী, ৰাষ্ট্ৰৰ অপৰিহাৰ্য আৰু হৈ পৰিছিল দুই পৰস্পৰৰ বিৰোধী শ্ৰেণীৰ মাজৰ দ্বন্দ্ব মীমাংসা কৰাৰ বাবে নহয়। বৰং শোষক বিলাকে শোষিত শ্ৰেণীক 'সংযত কৰোৱাৰ' বাবেহে। অসম তথা ভাৰতবৰ্ষৰ মানৱ সমাজৰ বিকাশ সমাজ বিকাশৰ বিশ্বজনীন ধাৰাৰ বাহিৰত নোহোৱাৰ হেতুকেই অসম তথা ভাৰতবৰ্ষতো দুই পৰস্পৰৰ বিৰোধী শ্ৰেণীৰ মাজৰ দ্বন্দ্ব আছে। কিন্তু বাস্তৱ পটভূমি এইটোৱেই যে পুঁজিবাদে সাম্ৰাজ্যবাদৰ ৰূপ লোৱা সাম্প্ৰতিক স্তৰত তৃতীয় বিশ্বৰ দেশবোৰত এই দুই শ্ৰেণীৰ মাজৰ দ্বন্দ্বই জটিল ৰূপ গ্ৰহণ কৰিছে।

স্বাভাৱিকতেই য'তেই শোষণৰ বিৰুদ্ধে প্ৰতিবাদ আৰম্ভ কৰিছে, তাতেই শোষিত জনগণক নাকি লগোৱাৰ বাবে সেনা বাহিনীৰ অপৰিহাৰ্যতা আহি পৰিছে। অ গ প দলে নিৰ্বাচনৰ পূৰ্বে সেনা বাহিনীৰ প্ৰত্যাহাৰ কৰাৰ প্ৰতিশ্ৰুতি দিলেও এই কাৰণতে ক্ষমতা দখল কৰাৰ পিছত কথামতে কাম কৰিব নোৱাৰে।

(২) চি আৰ পি এফৰ চাকৰি বাদ দি পলাই অহা আমাৰ বন্ধু এজনে তেওঁলোকৰ প্ৰশিক্ষণৰ বিষয়ে বৰ্ণনা কৰি কৈছে — ডাঙৰ প্ৰতিবাদী মিছিলত বাধা দিবলৈ হ'লে বাতৰি কাকতৰ মানুহৰ চকু আৰু কেমেৰাই ঢুকি নোপোৱাকৈ এক বিশেষ পদ্ধতিৰে প্ৰতিবাদীসকলক জখম কৰি দিয়াৰ বাবেও তেওঁলোকক প্ৰশিক্ষণ দিয়া হৈছিল। শান্তিৰক্ষা বাহিনীৰ প্ৰশিক্ষণৰ গতি-মতি এনেকুৱা হ'লে এনে বাহিনীৰ হাতত শান্তি প্ৰতিষ্ঠিত হোৱাৰ নিশ্চিতি কিমান — মন্তব্য নিষ্প্ৰয়োজন।

সমাজ বিকাশৰ নিয়ম অনুসৰিয়েই পুঁজিবাদী দেশ বিলাকে সমাজ বিকাশৰ পুঁজিবাদী স্তৰত উপনীত হৈছে সামন্তবাদক উচ্ছেদ কৰাৰ মাজেৰে। কিন্তু বৃটিছ শাসনৰ সময়ত ভাৰতবৰ্ষৰ সামন্তবাদক প্ৰয়োজনীয় ধৰণে পৰিবৰ্তন ঘটালেও ইয়াক সম্পূৰ্ণ উচ্ছেদ নকৰাকৈয়েই বৃটিছ পুঁজিৰ অধীনত কিছু ক্ষেত্ৰত ভাৰতীয় পুঁজিৰ বিকাশ ঘটোৱা হ'ল। ১৯৪৭ চনৰ পিছত ভাৰতবৰ্ষৰ শাসক সকলে পুঁজিৰ এই বিকৃত বিকাশৰ ধাৰা উচ্ছেদ কৰিব লাগিছিল যদিও আত্মসমৰ্পনৰ নীতি গ্ৰহণ কৰা হেতুকেই এই অৰ্থনীতিক সুৰক্ষা দিব পৰাকৈহে ৰচনা কৰা হৈছিল ভাৰতবৰ্ষৰ সংবিধান।

ভাৰতবৰ্ষ এখন সংযুক্ত ৰাষ্ট্ৰ হিচাপে গঠিত হ'ব লাগিছিল মুলতঃ স্বেচ্ছামুলক সংঘ বা সংহতিৰ জৰিয়তেহে। কিন্তু ওপৰৰ পৰা ঐক্যবদ্ধ কৰি ভাৰতীয় ৰাষ্ট্ৰ যন্ত্ৰটোক জাপি দিয়া হৈছিল, য'ত জনগণৰ মতামত গ্ৰহণ কৰাৰ প্ৰয়োজন বোধ কৰা হোৱা নাছিল। এই অগণতান্ত্ৰিকতাও ভাৰতীয় গণতন্ত্ৰত বৈধ হ'বলৈ বাধ্য কেৱল ভাৰতবৰ্ষত বৰ্তি থকা বিকৃত অৰ্থনীতিৰ স্বাৰ্থতেই।

আলফাই A. K. 47 লৈ গুৱাহাটী মহানগৰীত মুকলিকৈ মন্ত্ৰী বিধায়ক মাৰি ফুৰা হলেও ১৯৯০ ৰ ২৮ নবেম্বৰত অসমলৈ সামৰিক শাসন হয়তো নামি নাহিলহেতেন, যদিহে টাটা মেকনিল এণ্ড মেগৰ, ফিন্‌লে, ব্ৰুকবন্দ, লিপ্টন আদি চাহ কোম্পানীবিলাক আলফাৰ ভাবুকিৰ মুখামুখি হ'ব নালাগিলহেঁতেন। বহুজাতিক চাহ কোম্পানী এটাৰ স্বাৰ্থত কলাপানী গ্ৰাণ্টত কেইবাজনো নিৰীহ কৃষক শ্ৰমিকক সেনা পুলিচে গুলিয়াই হত্যা কৰাৰ কথা পাহৰি গলে ভুল হ'ব।

শান্তি প্ৰতিষ্ঠা হলেই অসমৰ পৰা সেনা বাহিনী প্ৰত্যাহাৰ কৰি বেৰেকলৈ ঘুৰাই পঠোৱা হ'ব বুলি প্ৰফুল্ল মহন্তই বাৰম্বাৰ ঘোষণা কৰিলেও মূল কথা যে শান্তি প্ৰতিষ্ঠা নহয়, সেই কথা আৰু লুক-ঢাক কৰিব পৰা হৈ থকা নাই। কিন্তু প্ৰশ্ন হ'ল, আলফাৰ বাবেই এই সামৰিক সন্ত্ৰাসনে ?

দুই বিৰোধী শ্ৰেণীৰ মাজত দ্বন্দ্বৰ পৰিস্থিতি নথকা হেতেঁন আলফা উত্থানৰ বাস্তৱ পটভূমিত সৃষ্টি নহ'লহেতেন। (৩০ পৃষ্ঠাত চাওক)



লেখকৰ ঠিকনা ঃ আমোলাপট্টি, শিৱসাগৰ, অসম।



OKDISCD

সাক্ষাৎকাৰ

# সামৰিক শাসন আৰু প্ৰাসঙ্গিক চিন্তা

অসমে সামৰিক শাসনৰ অদ্ধ যুগ অতিক্ৰম কৰিছে এই বছৰৰ ২৮ নৱেম্বৰত। অসমৰ পৰা সেনা বাহিনী প্ৰত্যাহাৰ কৰা উচিত হ'বনে নহ'ব -- কেৱল এইটোৱেই নহয়, অন্য বহু প্ৰাসঙ্গিক প্ৰশ্ন আহি পৰিছে এই সময়ত। কেইবাটাও এনে প্ৰাসঙ্গিক বিষয়ক প্ৰশ্ন লৈ আমি কেইবাজনো ব্যক্তিৰ ওচৰলৈ গৈছিলো। এই সংখ্যাত তেখেতসকলৰ মতামতৰ সম্পাদিত অংশ প্ৰকাশ কৰা হ'ল।

— সম্পাদক, চিন্তামঞ্চ।

**উদয়াদিত্য ভৰালী,** প্ৰবক্তা, কটন কলেজ।

? জাতীয় আত্মনিয়ন্ত্ৰণৰ প্ৰশ্নত জাতীয় শক্তিসমুহে একত্ৰিত ভাবে মাত মতাৰ প্ৰয়োজন আছিল যদিও বাস্তৱত সেইটো নোহোৱাটোৱে জাতীয় মুক্তিৰ সংগ্ৰামক কাৰ্যতঃ দুৰ্বল কৰিছে। জাতীয়তাবাদী শক্তিসমূহ একত্ৰিত হ'ব নোৱাৰাৰ কাৰণ আপুনি কি বুলি ভাৱে?

● জাতীয়তাবাদী শক্তি সমূহ একত্ৰিত কিয় হ'ব পৰা নাই তাক বুজিবলৈ ইয়াকো বুজাৰ প্ৰয়োজন যে জাতীয়তাবাদী শিবিৰ আজিৰ ঐতিহাসিক পৰিস্থিতিত একেটা আদৰ্শৰ নহ'বও পাৰে। কুৰি শতিকাৰ আগলৈকে জাতীয়তাবাদ বুলিলেই বুৰ্জোৱা জাতীয়তাবাদকে বুজোৱা হৈছিল, আৰু ই পুঁজিবাদৰহে আদৰ্শ য'ত নিপীড়িত জাতি তথা জাতিসত্বাৰ উদীয়মান মধ্যবিত্ত শ্ৰেণীয়ে পুঁজিবাদী আশা আকাংখাবোৰ পুৰণৰ অৰ্থে এই আদৰ্শক নেতৃত্ব দিছিল। কিন্তু বৰ্তমানৰ যুগ-সম্ৰাজ্যবাদ আৰু বিশ্ববিপ্লৱৰ যুগ। এই যুগত সম্ৰাজ্যবাদৰ উপস্থিতিৰ বাবে তৃতীয় বিশ্বৰ নিপীড়িত জাতি তথা জাতিসত্বা সমুহৰ মাজত যি জাতীয়তাবাদী আন্দোলনৰ স্ফূৰণ ঘটিছে তাৰ প্ৰকৃত সুস্থ ধাৰাটো পৰম্পৰাগত বুৰ্জোৱা জাতীয়তাবাদৰ ধাৰা নহয় এই ধাৰাৰ মুল আদৰ্শ নব্য গনতন্ত্ৰহে যিটো পুঁজিবাদ তথা তাৰ মধ্যমণি মধ্যবিত্ত শ্ৰেণীৰ আদৰ্শৰ সলনি শ্ৰমিক শ্ৰেণীৰ শ্ৰেণী শোষণৰ মুক্তি আদৰ্শৰেহে পৰিচিত। এনে পৰিস্থিতিত জাতীয়তাবাদী শক্তিৰ মাজত আদৰ্শগত পাৰ্থক্যই দেখা দিয়া স্বাভাৱিক আৰু ই কেইবাটাও শিবিৰ সৃষ্টি কৰাও স্বাভাৱিক। অসমৰ জাতীয়তাবাদী শক্তি সমূহ তেতিয়ালৈকে একত্ৰিত হ'ব নোৱাৰিব, তেতিয়ালৈকে এই শিবিৰ সমূহও নব্য গনতন্ত্ৰৰ আৰ্দশই নিৰ্ণায়ক আদৰ্শৰ স্থান নাপাব। কাৰণ আদৰ্শগত ঐক্যইহে সেই শক্তি সমূহক একত্ৰিত কৰিব পাৰে।

? অসমৰ পৰা সেনা বাহিনী প্ৰত্যাহাৰৰ দৰে স্পৰ্শকাতৰ বিষয়টোত অসমৰ সকলো বুদ্ধিজীৱীয়ে একত্ৰিতভাৱে মাত মাতিব নোৱাৰাৰ কাৰণটো আপুনি কি বুলি ভাবে?

● সেনাবাহিনী প্ৰত্যাহাৰৰ দাবী এটা সম্পূৰ্ণ গণতান্ত্ৰিক দাবী। কাৰণ গণতন্ত্ৰ আৰু নিজ দেশৰ ৰাইজৰ মাজতেই সেনা মেলি দিয়াৰ বিষয়টো পৰষ্পৰ বিপৰীত। বৰ্তমানৰ ভাৰতবৰ্ষ তথা অসম যদিও এখন সম্পূৰ্ণ বুৰ্জোৱা গণতান্ত্ৰিক ৰাষ্ট্ৰ নহয় তথাপি অৰ্ধ-উপনিবেশত যি পৰিমাণৰ গণতন্ত্ৰ থাকিব পাৰে সেইখিনি নথকাও নহয়। তেনে এক পৰিস্থিতিত গণতন্ত্ৰৰ সপক্ষে থকা সমূহ বুদ্ধিজীৱিয়ে সেনা সন্ত্ৰাসৰ দৰে বিষয় এটাত একত্ৰিতভাৱে মাত মাতিব পাৰিব লাগিছিল।



কিন্তু দুভাগ্যবশতঃ অসমৰ বিশেষ পৰিস্থিতিয়ে তাক হ'বলৈ দিয়া নাই। তাৰ অনেক কাৰণৰ ভিতৰত এটা কাৰণলৈ আঙুলিয়াব পাৰি। বুদ্ধিজীৱিসকল নিজেই আদৰ্শগতভাৱে বহুধা বিভক্ত। দ্বিতীয়তে অসম যিহেতু বহুজাতিক অঞ্চল আৰু ইয়াত কেইবাটাও জাতীয় আন্দোলনে ভিন ভিন লক্ষ্য উদ্দেশ্যৰে একে সময়তে গা কৰি উঠিছে আৰু বুদ্ধিজীৱি সকল কেইবাটাও জাতি তথা জাতিসত্বাৰ পৰা আহিছে সেয়ে তেওঁলোক একেখন মঞ্চত একত্ৰিত হোৱাটো আজিৰ বাস্তৱ পৰিস্থিতিত যথেষ্ট কঠিন হৈ পৰিছে। লগতে অৱশ্যে বুদ্ধিজীৱিৰ যি মধ্যবিত্ত মুলক দুদুল্যমানতা তাৰ প্ৰভাৱো অনেকৰ মাজত সু-স্পষ্ট। শেষত সেনা প্ৰত্যাহাৰৰ প্ৰশ্নৰ সৈতে আন সাঁচৰ সন্ত্ৰাসৰ প্ৰশ্নটোও ওতঃপ্ৰোতঃভাৱে জড়িত। অসমৰ পৰিবৰ্ত্তনকামী শক্তিয়ে তেতিয়ালৈকে অস্ত্ৰ সৰ্বস্বতা তথা অৰ্থসৰ্বস্বতাৰ স্ব-ধ্বংসী পথ পৰিত্যাগ কৰি সঠিক গণ আদৰ্শৰ ভিত্তিত জংগী গণ-সংগ্ৰামৰ পথ গ্ৰহণ নকৰে তেতিয়ালৈকে ওপৰত উল্লেখ কৰা সমুহ বুদ্ধিজীৱি প্ৰকৃত গণতন্ত্ৰৰ প্ৰতিষ্ঠাৰ স্বাৰ্থত একেখন মঞ্চত একত্ৰিত কৰাটো সম্ভৱ নহ'ব।

**সিদ্ধাৰ্থ লাহিড়ী,** প্ৰবক্তা, ডিব্ৰুগড় বিশ্ববিদ্যালয়।

? কোনো কোনো বুদ্ধিজীৱিয়ে কয় যে আলফাৰ ব্যক্তিসন্ত্ৰাসেই ৰাষ্ট্ৰৰ সমাৰিক সন্ত্ৰাসৰ মুল কাৰণ। আনহাতে কোনো কোনোৰ মতে ৰাষ্ট্ৰৰ স্বেচ্ছাচাৰী শোষণ ব্যৱস্থাই আলফাৰ উত্থানৰ মুল কাৰণ। আলফাৰ উত্থানৰ এই ঐতিহাসিক ভিত্তি স্বীকাৰ কৰেনে?

● ইয়াত দুটা প্ৰশ্ন একেলগে সামৰি লোৱা হৈছে। সামৰিক সন্ত্ৰাসৰ মুল কাৰণ কি? আলফাৰ উত্থানৰ মুল কাৰণ কি? আৰু এটা উমৈহতীয় ভিত্তিৰ জৰিয়তে দুটা প্ৰশ্নৰ মাজত এটা পৰিপুৰক সম্বন্ধ প্ৰতিষ্ঠা কৰি তোলাৰ প্ৰয়াস লক্ষ্য কৰা যায়। যিটো 'মুল কাৰণ' অনুসন্ধানৰ ক্ষেত্ৰত বিশেষ অৰ্থপুৰ্ণ হ'ব পাৰে বুলি নাভাবো। যিকোনো ৰাষ্ট্ৰব্যৱস্থা কোন বিশেষ শ্ৰেণীস্বাৰ্থ প্ৰতিষ্ঠা, সংৰক্ষণ আৰু বিকশিত কৰি তোলাৰ বাবে লাগতিয়াল শক্তিবিন্যাস। শাসন ব্যৱস্থা নিয়ন্ত্ৰণ কৰি থকা শ্ৰেণীটো অৰ্থাৎ যি চামটো উৎপাদনৰ সা-সমলবোৰৰ ওপৰত সৰ্বোচ্চ কতৃত্ব বজায় ৰাখে, কোন বিধৰ শ্ৰম কিমান মুল্য পাব লাগে সেইবোৰ প্ৰশ্নৰ উত্তৰ প্ৰত্যক্ষ বা পৰোক্ষভাৱে নিয়ন্ত্ৰণ কৰে, যেতিয়া নিজা অস্তিত্ব বিপন্ন হোৱাৰ সংকেত পায়, সন্ত্ৰাসৰ জৰিয়তে আন শ্ৰেণীৰ সংগঠনবোৰ আনকি সংগঠিত হোৱাৰ মানসিকতা ভাঙি দিব খুজে। কিন্তু পৰিপুৰ্ণভাবে অৱদমিত সন্ত্ৰাস কবলিত ৰাইজ যদি নিজা 'স্বাধীনতা'বোধটো হেৰুৱাই পেলায়, উৎপাদনশীলতা ক্ষতিগ্ৰস্ত হয়। গতিকে, প্ৰতিটো সামাজিক সমস্যা সামাধান কৰিবলৈ ৰাষ্ট্ৰই সন্ত্ৰাস সৃষ্টি নকৰে। যিকোনো বিধৰ ব্যক্তিসন্ত্ৰাস দমন কৰিবলৈ সামৰিক সন্ত্ৰাস জাপি দিয়া নহয়। অসমত ৰাষ্ট্ৰৰ পৰিচালিত সন্ত্ৰাস এইটোৱে প্ৰথম নহয়। ঠিক তেনেদৰে প্ৰতিটো জাতীয় মুক্তি আন্দোলনৰ ওপৰত ৰাষ্ট্ৰই বন্দুক-বাৰুদ লৈ জপিয়াই নপৰে। যেতিয়া জাতীয় মুক্তি আন্দোলন আৰু শ্ৰেণী সংগ্ৰামৰ মাজত পাৰ্থক্য নাইকিয়া হ'ব ধৰে, তেতিয়াহে 'ৰাষ্ট্ৰ' নামৰ যন্ত্ৰটোৰ তৎপৰতা বাঢ়ি যাব ধৰে। আলফাৰ উত্থানৰ মুল কাৰণ হ'ল এটা জাতিৰ 'ৰাজনৈতিক কৰ্তৃত্ব' প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত আবেদন-নিবেদনৰ পদ্ধতিৰ ওপৰত, সংসদীয় ৰাজনীতিৰ ওপৰত ৰাইজৰ মোহভঙ্গ। যেতিয়ালৈকে



OKDISCD

সশস্ত্ৰ ধাৰাটোৰ মাজত শ্ৰেণী দৃষ্টিভঙ্গীৰ অভাৱ আছিল, ৰাষ্ট্ৰই কিছুমান ক্ষেত্ৰত পৰোক্ষভাৱে সমৰ্থনও দিছিল। কিন্তু লাহে লাহে শ্ৰেণী ৰাজনীতিৰ বৈজ্ঞানিক দৃষ্টিভঙ্গি প্ৰভাৱশীল হৈ উঠাৰ লগে লগে সন্ত্ৰাসৰ মাত্ৰাও বৃদ্ধি পালে। যেতিয়ালৈকে সেই ধাৰাটো সবল হৈ থাকিব, সন্ত্ৰাস আৰু কটকটীয়া হ'ব।

? সামৰিক শাসনৰ ফলত আনুস্থানিক শৈক্ষিকক্ষেত্ৰত কেনে প্ৰভাৱ পৰিছে বুলি আপুনি ভাবে?

●সামগ্ৰীকভাৱে শৈক্ষিক ক্ষেত্ৰ বুলি ক'লে আমি প্ৰকৃতি আৰু মানুহৰ মাজত দ্বন্দ্ব নিষ্পত্তিৰ ক্ষেত্ৰত সাধাৰণ অধ্যয়নকে বুজি পাওঁ। এখন শ্ৰেণীবিভক্ত সমাজত তাৰ লগতে, বিভিন্ন শ্ৰেণীবৈচিত্ৰ্য শ্ৰেণীস্বাৰ্থৰ লগত সঙ্গতি ৰক্ষা কৰি সম্পদৰ বিতৰণ প্ৰণালী, বিকাশৰ ইতিহাস অধ্যয়ন ইত্যাদি কথাবোৰো আহি পৰে। আনুস্থানিক শৈক্ষিক ক্ষেত্ৰটো শাসকগোষ্ঠীৰ অনুকুল মূল্যবোধ তৈয়াৰ কৰে। সম্প্ৰতি অসমত সামৰিক শাসনৰ ফলত আনুস্থানিক শৈক্ষিক ক্ষেত্ৰটোৰ ওপৰত বিশেষ প্ৰভাৱ পৰিছে বুলি নাভাবোঁ। সামৰিক শাসন সুনিয়ন্ত্ৰিত হ'লে, কিছু ব্যতিক্ৰমধৰ্মী ঘটনাও নহ'লহেতেন। কিন্তু সেইবোৰে শৈক্ষিক ক্ষেত্ৰৰ মাজত কিছু পৰিমানে হ'লেও উদ্বেগৰ নিশ্চয় সৃষ্টি কৰিছে। তাৰ কাৰণ আন্তৰ্জাতিক পুঁজিবাদৰ এটা পাৰ্শ্বফল (By product) হিচাপে গঢ়লৈ উঠা, আমি দেখা আনুস্থানিক শৈক্ষিক ক্ষেত্ৰটোৰ ভিতৰতো নিঃস্বতা হঠাতে প্ৰকট হৈ উঠিছে। আৰু উন্নত ধৰণৰ শিক্ষা ব্যৱস্থা আঁকোৱালি ল'বলৈ ব্যাকুল কিছু ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ মাজত আনুস্থানিক শৈক্ষিক ক্ষেত্ৰটোৰ ওপৰত মোহভঙ্গ হ'ব ধৰিছে।

**অদীপ কুমাৰ ফুকন, অসম গণ পৰিষদ**

? অসম গণ পৰিষদ দল ক্ষমতালৈ আহিলে সেনাবাহিনী প্ৰত্যাহাৰ কৰিম বুলি নিৰ্বাচনৰ আগেয়ে দলটোৱে ঘোষণা কৰিছিল যদিও নিৰ্বাচনৰ পিছত একেই অগপ দলে কৈছে যে - সেনা থকা-নথকাটো পৰিস্থিতিৰ ওপৰতহে নিৰ্ভৰশীল। শান্তিৰ পৰিৱেশ দুদিনত ঘূৰি নাহে। অথচ অগপৰ নিৰ্বাচনৰ আগৰ বক্তব্য আৰু নিৰ্বাচন পিছৰ বক্তব্যৰ পৰা এইটো গম পোৱা গল যে দলটোৰ হয়তো দূৰদৰ্শী চিন্তাৰ অভাৱ। এনে এটা আঞ্চলিক দলৰ হাতত অসমৰ জন গণৰ ভৱিষ্যত নিৰাপদ বুলি ভাবেনে?

●সংসদীয় ৰাজনীতি কৰা সকলে প্ৰায়বোৰ ক্ষেত্ৰতে মতামত তথা চিন্তাৰ পৰিবৰ্তন কৰি থকাৰ বাবে আজি জনসাধাৰণৰ মন সংসদীয় ৰাজনীতিৰ প্ৰতি বিতুষ্ট হৈ পৰিছে, সংসদীয় ৰাজনীতি কৰা সকলৰ কথা আৰু কামৰ সামঞ্জস্য নথকাত আৰু বেছিভাগ নেতা আত্মকেন্দ্ৰীক হৈ পৰাত সংসদীয় ৰাজনীতি আজি বিশ্বাসৰ সংকটত পৰিছে, বাস্তৱ পৰিস্থিতিৰ পৰা জ্ঞান লৈ অগপ পৰিচালিত হ'ব নিবিচাৰিলে অগপৰ প্ৰতিও জনগণৰ বিশ্বাস নাথাকিব। সামৰিক অত্যাচাৰৰ ক্ষেত্ৰত অগপ জনগণৰ পক্ষত থিয় হ'ব নোৱাৰাটো অতি পৰিতাপৰ বিষয়। ৰাষ্ট্ৰতকৈ অসমবাসীকহে আমাৰ বন্ধু হিচাপে গ্ৰহণ কৰা উচিত। অন্যথা সময়ত কংগ্ৰেছ (ই)ৰ দৰে অগপও অসমৰ জনগণৰ বাবে নিৰাপদ নহয় বুলি ভাবিবলৈ সকলো বাধ্য হ'ব।

?আপুনি ব্যক্তিগত ভাৱে সেনাবাহিনী প্ৰত্যাহাৰ কৰিব লাগে বুলি ক'লেও আপোনাৰ দলৰ



বক্তব্য বেলেগ। দলৰ সদস্য হিচাপে এইক্ষেত্ৰত আপোনাৰ বক্তব্য কি?

●ৰাজনৈতিক দলত কথা কোৱাৰ সুযোগ বৰ কম। ৯-১-৯৬ তাৰিখৰ পৰা আজিলৈকে দলৰ মজিয়াত ক'ব পৰাকৈ দুখন বৈঠক পাইছিলো। বিষয় বিলাক মজিয়াত দাঙি ধৰা হয়, ব্যক্তিগত ভাবেও জনোৱা হয়। দলে কি কৰিব নেতৃবৰ্গৰ ওপৰত নিৰ্ভৰশীল। আমি দলৰ ভিতৰে বাহিৰে সামৰিক অত্যাচাৰৰ প্ৰতিবাদ, সেনাবাহিনী প্ৰত্যাহাৰৰ দাবীত, ৰাষ্ট্ৰৰ লুণ্ঠন আৰু হত্যাৰ প্ৰতিবাদত অধিক জনমত গঠন কৰিবলৈ চেষ্টা কৰিছোঁ, ৰাষ্ট্ৰসন্ত্ৰাসৰ ক্ষেত্ৰত কংগ্ৰেছ (ই) চৰকাৰৰ লগত বৰ্তমান চৰকাৰৰ চৰিত্ৰ যদি পৰিবৰ্তন নহয়, জনগণৰ পক্ষত থকাৰ সিদ্ধান্ত যদি গ্ৰহণ কৰিব নোৱাৰে, সময়ত আমি এনে চৰকাৰ গঠন কৰা দলত থকাৰো প্ৰয়োজন হয়তো নহ'ব।

**বীৰেণ মিৰ্ধা,** অধ্যক্ষ, চাহ জনজাতি স্বেচ্ছাসেৱক বাহিনী।

?সেনা বহিনী প্ৰত্যাহাৰ কৰাৰ বাবে চৰকাৰক বাধ্য কৰাবলৈ আপোনৰ সংগঠনে আহি থকা দিনবোৰত কেনে পদক্ষেপ গ্ৰহণ কৰিব?

●অসমৰ সমভাবাপন্ন সংগঠন সমূহৰ প্ৰচেষ্টাৰে তীব্ৰ জংগী গণ-আন্দোলন তথা প্ৰতিৰোধ সংগ্ৰাম গঢ়ি তুলিব লাগিব। সেয়েহে নিজাববিয়া কাৰ্যসূচীৰ উপৰিও অসমত এক সন্মিলিত গণ সংগ্ৰামৰ ধাৰা গঢ়ি তুলিবৰ বাবে সকলোলৈকে আমাৰ সংগঠনৰ তৰফৰ পৰা আহ্বান জনাইছোঁ।

**শ্ৰীচন্দ্ৰপ্ৰভা শইকীয়া,** সম্পাদিকা, সদৌ অসম প্ৰগতিশীল নাৰীসন্থা, নগাওঁ জিলা সমিতি।

? শ্ৰী মিৰ্ধাক সোধা প্ৰশ্নটোকে শ্ৰী শইকীয়ানী দেৱীক সোধা হৈছিল ।

●অসমৰ জনসাধাৰণ বৰ্তমান এক অস্থিৰ অবস্থাত আছে। ৰাইজ দিশহাৰা হৈছে। কংগ্ৰেছৰ স্বেচ্ছাচাৰী শাসনৰ অবসান ঘটাই অসমৰ ৰাইজৰ আস্থাৰ আঞ্চলিক দল অগপক ক্ষমতাত অধিষ্ঠিত কৰিলে। একমাত্ৰ আশা আছিল অসমৰ জনগণে শান্তি পাব। কিন্তু অগপ চৰকাৰে তেওঁলোকৰ ইস্তাহাৰত দিয়া সকলো নীতি আদৰ্শক নেওচা দি অসমৰ জনগণ তথা মহিলাসকলৰ নিৰাপত্তা নোহোৱা কৰিছে। এইক্ষেত্ৰত আমি সকলো জনগণ, ছাত্ৰ, যুৱক মহিলাৰ বিভিন্ন গণতান্ত্ৰিক সংগঠনে ঐক্যবদ্ধ সংগ্ৰাম কৰিব লাগিব। লগে লগে এই সংগ্ৰাম কেন্দ্ৰৰ শোষণ বঞ্চনাৰ পৰা মুক্ত কৰাৰ লক্ষ্যত এখন বৈপ্লৱিক গণতান্ত্ৰিক সংগ্ৰামৰ পৰ্যায়লৈ লৈ যাব পৰিলেহে অসমৰ ৰাইজে সুফল পাব।

**কনক হাজৰীকা,** প্ৰাক্তন সাধাৰণ সম্পাদক, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ।

? শ্ৰী মিৰ্ধাক সোধা প্ৰশ্নটোকে শ্ৰী হাজৰীকাদেৱক সোধা হৈছিল।

●অসমৰ পৰা সেনাবাহিনী প্ৰত্যাহাৰ হ'বই লাগিব। সেনা বাহিনী প্ৰত্যাহাৰৰ বাবে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে বিভিন্ন পৰ্যায়ৰ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰি অহাৰ লগতে জনমত গঠনৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। সেনা বাহিনী আৰু ক'লাআইন প্ৰত্যাহাৰৰ বাবে আজি পৰ্যন্ত অসমত শক্তিশালী ঐক্যবদ্ধ প্ৰতিৰোধ সংগ্ৰাম গঢ়ি নুঠাতো দুৰ্ভাগ্যজনক। অৱশ্যে মাজে সময়ে ঐক্যবদ্ধ সংগ্ৰামৰ প্ৰতিক্ৰিয়া আৰম্ভ হয় যদিও বিভিন্ন কাৰণত সেই প্ৰক্ৰিয়া সমূহ স্থৱিৰ হৈ পৰে। অথচ সকলোৱেই অসমৰ পৰা সেনা বাহিনী আৰু ক'লা আইন প্ৰত্যাহৰ কৰাটো বিচাৰে যদিও ঐক্যবদ্ধ সংগ্ৰাম গঢ়ি তুলিবৰ বাবে কোনোৱে প্ৰচেষ্টা ভালদৰে নলয়। অসমৰ সংগঠন সমূহৰ নেতৃবৃন্দ প্ৰথমতে ঐক্যবদ্ধ হ'ব লাগিব। তেতিয়াহে সেনা বাহিনী প্ৰত্যাহাৰৰ বাবে এক শক্তিশালী প্ৰতিৰোধ সংগ্ৰাম গঢ়ি তুলিব পৰা যাব।

(৩০ পৃষ্ঠাত চাওক)

# নিবনুৱা সমস্যাৰ সমাধান

❑ ডঃ হীৰেন গোঁহাই

অসমৰ নিবনুৱা সমস্যা সম্পৰ্কে নানা জনে নানা কথা কয়। কোনোৱে কয় অৰ্থনৈতিক উন্নয়ন নোহোৱা বাবেই এনে হৈছে, কোনোৱে দোষ দিয়ে শিক্ষা ব্যৱস্থাক, কাৰো কাৰোৰ মতে অসমীয়া মানুহৰ পৰমুখাপেক্ষী আৰু শ্ৰমবিমুখ চৰিত্ৰই তাৰ বাবে দায়ী। অচলতে সকলোবোৰ কাৰণৰ লগতে নিবনুৱা সমস্যাৰ সম্পৰ্ক আছে। সকলোবোৰ কাৰণ এটা ব্যৱস্থাৰ লগত জড়িত আৰু নিবনুৱা সমস্যা ব্যৱস্থাটোৰ এটা পৰিনাম।

এটা কথা ঠিক যে অৰ্থনৈতিক উন্নয়ন অবিহনে এটা অঞ্চলৰ মানুহৰ বাবে নতুন কৰ্মসংস্থাপনৰ সুযোগ নোলায়। তদুপৰি তেনেদৰে স্বচ্ছল জীৱিকা অৰ্জন কৰিব পৰা মানুহৰ বিভিন্ন চাহিদা পূৰণৰ বাবেও দোকানী, কাপোৰ-কানি ধুই দিয়া মানুহ, চুলি কটা মানুহ, ঘৰ সাজি দিয়া মানুহ আদি বিভিন্ন বৃত্তিত অধিক সংখ্যক মানুহৰ নিযুক্ত হ'ব পাৰে। কিন্তু যদি কৰ্মসংস্থাপনৰ ক্ষেত্ৰ বহল হোৱাৰ পিছতো কল-কাৰখানা আদিত কাম কৰিব পৰা প্ৰশিক্ষণ প্ৰাপ্ত মানুহ নোলায়, তেনেহ'লে অঞ্চলটোৰ নিবনুৱা সমস্যা হ্ৰাস নাপাব। অৰ্থাৎ শিক্ষা-ব্যৱস্থা গ্ৰন্থসৰ্বস্ব হ'লে এনে ধৰণৰ কামৰ বাবে যুৱ সমাজ প্ৰস্তুত হৈ নাথাকিব। আকৌ কেতবোৰ সামাজিক আচাৰ বা সংস্কাৰৰ বাবেও নিবনুৱা সমস্যাৰ প্ৰকোপ বৃদ্ধি হ'ব। উদাহৰণ স্বৰূপে - সমাজত যদি শিক্ষিত মানুহে শাৰীৰিক পৰিশ্ৰম কৰাটো লাজৰ কথা বুলি ভাবে, সিও বহু যুৱকক বহু বৃত্তিৰ বাবে অনুপযুক্ত কৰিব।

অৰ্থাৎ নিবনুৱা সমস্যা এটা সম্পুৰ্ণ ব্যৱস্থাৰ বিভিন্ন দিশৰ সংস্কাৰ বা সংশোধন অবিহনে সমাধান কৰা সম্ভৱ নহয়। ব্যৱস্থাটোৱেই নিবনুৱা সমস্যাৰ জনক। ঘাইকৈ তাক ঔপনিবেশিক আৰ্হিৰ আৰ্থ-সামাজিক ব্যৱস্থা বুলি ক'ব পাৰি। ব্যৱস্থাটোৰ নিজৰ গতিশীলতা নাই। সি নিজেই নিজৰ শক্তিৰে বিকাশ আৰু প্ৰসাৰ লাভ কৰি বিনিয়োগ, উন্নয়ন, কৰ্মসংস্থাপনৰ নতুন নতুন ক্ষেত্ৰ প্ৰস্তুত কৰিব নোৱাৰে। বহু সময়ত বাহিৰৰ পৰা ধন বিনিয়োগ কৰাৰ পিছতো নানা স্তৰায়, দুৰ্নীতি, আমোলাতান্ত্ৰিক মেৰপাকৰ বাবে প্ৰকল্প এটা আগনাবাঢ়ে।

অৰ্থাৎ অঞ্চলটোত এক ঔদ্যোগিক পৰিবেশ গঢ়ি তুলিবলৈ আৰু মানুহখিনিক উদ্যোগমুখী কৰিবলৈ বিশেষ পৰিকল্পনা প্ৰয়োজন হ'ব। পৰিকল্পনা হ'ব - মানুহখিনিক স্বাধীন আৰু স্বাৱলম্বি কৰাৰ, চৰকাৰমুখী তথা পৰনিৰ্ভৰশীল কৰাৰ বাবে নহয়। অৰ্থাৎ এই পৰিকল্পনাও অথবা তাৰ ৰূপায়ন এক নতুন ৰাজনৈতিক শক্তিয়েহে চৰকাৰ দখল কৰিলে কৰিব পাৰিব। পুৰণা চামে নোৱাৰিব।

যিহেতু এনে এচাম নতুন চিন্তাশীল নেতা ব্যৱস্থাটোৰ অংশীদাৰ নহয়, তেওঁলোকেহে ব্যৱস্থাটোৰ লগত জড়িত শিক্ষা-সংস্কৃতিৰ প্ৰয়োজনীয় সংস্কাৰ সাধন কৰাৰ উৎসাহ দেখুৱাব পাৰিব। শিক্ষাৰ ক্ষেত্ৰত সকলোকে তত্ত্বগত শিক্ষাত ব্যস্ত নেৰাখি ব্যাপক বৃত্তিগত প্ৰশিক্ষণ দিব

(১৫ পৃষ্ঠাত চাওক)



লেখকৰ ঠিকনা ঃ গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী।

# অসমৰ আসোঁৱাহপূৰ্ণ (১০+২) শিক্ষা ব্যৱস্থা আৰু নিৰাময়ৰ উপায়

❑ জয়ন্ত কুমাৰ বৰা

*লেখকৰ নিজা দৃষ্টিভংগীহে এই লেখাত প্ৰতিফলিত হৈছে। বিষয়বস্তুৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ ওপৰত অধিক আলোচনা হোৱা দৰকাৰ। পঢ়ুৱৈ সমাজৰ পৰাও মতামত আহ্বান জনালো। —সম্পাদক, চিন্তামঞ্চ।*

এখন সভ্য সমাজত তথা এখন প্ৰগিতশীল দেশত প্ৰচলিত শিক্ষা ব্যৱস্থাটোৱেই দেশখনৰ মেৰুদণ্ডস্বৰূপ। এখন দেশৰ শিক্ষা ব্যৱস্থাই উঠি অহা প্ৰজন্মক কিদৰে শিক্ষিত কৰিব আৰু দেশখনৰ বাবে তেওঁলোকক নিজৰ ভৰিৰ ওপৰত থিয় হ'ব পৰাকৈ কেনেকৈ প্ৰস্তুত কৰি তুলিব তাৰেই নীতি, নিৰ্দেশনা আৰু সুব্যৱস্থা নিৰ্দ্ধাৰিণ কৰে। ভাৰতবৰ্ষৰ দৰে এখন বৃহৎ জনসংখ্যাৰ দেশত উপযুক্ত শিক্ষা ব্যৱস্থাৰ প্ৰচলন নোহোৱাৰ বাবেই সম্ভৱতঃ দেশখনৰ স্বাধীনতাৰ পঞ্চাশ বছৰৰ পাছতো অনগ্ৰসৰতাই দেশখনৰ লগ নেৰিলে। আজি সচেতন মহলৰ এইটো বুজিবলৈ বাকী নাই যে ভাৰতীয় শিক্ষা ব্যৱস্থাই কেৱল বিশ্ববিদ্যালয়ৰ ডিগ্ৰীধাৰীকহে উৎপন্ন কৰিব পাৰে; নিজৰ ভৰিৰ ওপৰত থিয় হ'ব পৰা আত্মবিশ্বাসী এজন শিক্ষিত যুৱকৰ জন্ম দিব নোৱাৰে।

স্বাধীনোত্তৰ কালত আমাৰ দেশত ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ ওপৰত বিভিন্ন স্তৰত নানা পৰীক্ষা-নিৰীক্ষা চলোৱা হৈছে। ইংৰাজ শাসনৰ দিনতো ভাৰতীয় সকলক শিক্ষা দিবৰ বাবে ইংৰাজ শাসকসকলে বিভিন্ন সময়ত নানা ব্যৱস্থা হাতত লৈছিল। স্বাধীনতাৰ পিছত আমাৰ দেশীয় চৰকাৰ বিলাকে কেইবাজনো স্বনামধন্য পণ্ডিত ব্যক্তিৰ নেতৃত্বত কেইবাখনো শিক্ষা আয়োগ গঠন কৰিছিল। সেইবোৰে ভাৰতীয় শিক্ষা ব্যৱস্থাৰ বিভিন্ন স্তৰত কাৰ্যকৰি হোৱাকৈ নানাধৰণৰ দিহা-পৰামৰ্শ আগবঢ়াইছিল।

প্ৰাথমিক স্তৰৰ পৰা বিশ্ববিদ্যালয়ৰ স্তৰলৈকে এই আয়োগ বিলাকে নানা নীতি নিদেৰ্শনা আগবঢ়াইছিল। তাৰে ভিতৰত উচ্চতৰ মাধ্যমিক স্তৰটোৰ ওপৰত এটা আয়োগসমূহে অধিক গুৰুত্ব আৰোপ কৰিছিল। বিভিন্ন সময়ত এই স্তৰ অৰ্থাৎ (১০+২) শিক্ষা ব্যৱস্থাটোৰ ওপৰত নানা পৰিবৰ্তন সাধন কৰা হৈছে। কিছু বছৰৰ আগলৈকে এই স্তৰটোৰ প্ৰাক বিশ্ববিদ্যালয় শ্ৰেণী বুলিও প্ৰচলিত আছিল। ভাৰতৰ প্ৰায়বোৰ ৰাজ্যতে শিক্ষা ব্যৱস্থাৰ এই গুৰুত্বপুৰ্ণ স্তৰটো স্পষ্ট নীতি নিৰ্দেশনাৰে সুকীয়াকৈ স্থাপন কৰি সুব্যৱস্থাৰে চলাই থকা হৈছে। আৰু তাৰ যৎকিঞ্চিত সুফলো তেওঁলোকে ভোগ কৰিছে। কিন্তু অসমত এই (১০+২) স্তৰৰ শিক্ষা ব্যৱস্থাটো আটাইতকৈ উপেক্ষিতভাবে আৰু কোনো সুস্পষ্ট নীতি নোহোৱাকৈ চলাই থকাৰ ফলত আজি বিভিন্ন আসোঁৱাসপুৰ্ণ অৱস্থাই দেখা দিছে।

এই কথা বোধ হয় কাৰো অবিদিত নহয় যে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত জীৱন সুদৃঢ় ভাবে গঢ়াত (+২) স্তৰৰ শিক্ষা ব্যৱস্থাৰ গুৰুত্ব সৰ্বাধীক। পূৰ্বতে এই শ্ৰেণী দুটা উচ্চতৰ মাধ্যমিক শিক্ষা বৰ্ডৰ দ্বাৰা পৰিচালিত হোৱাৰ লগতে প্ৰাক বিশ্ববিদ্যালয় শ্ৰেণী হিচাপে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই পৰিচালনা কৰিছিল। কিন্তু পিছত বিশ্ববিদ্যালয় অনুদান আয়োগে এই শ্ৰেণী দুটাৰ সৈতে বিশ্ববিদ্যালয়ৰ সম্পৰ্ক ছেদ কৰাৰ ফলত শ্ৰেণী দুটা উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ জৰিয়তে পৰিচালিত কৰি থকা হৈছে। ইউ. জি. চি.য়ে এই উচ্চতৰ মাধ্যমিক শ্ৰেণী দুটাৰ দায়িত্ব নল'লে যদিও অসমৰ মহাবিদ্যালয় সমূহত কিন্তু শ্ৰেণী দুটা চলি থাকিল। ইয়াৰ পৃথকীকৰণৰ ব্যৱস্থা নহ'ল। গতিকে মহাবিদ্যালয় সমূহত পৰীক্ষা বা অন্যান্য যাৱতীয় কামৰ বাবে বিশ্ববিদ্যালয় (স্নাতক পৰ্যায়ৰ বাবে) আৰু উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বৈত কাৰ্যনিৰ্বাহ চলিল। ফলত নতুন খেলিমেলিৰো সৃষ্টি হৈ থাকিল। আকৌ এই (১০+২) ব্যৱস্থাটো উচ্চ মাধ্যমিক বিদ্যালয়সমূহৰ লগতো সাঙোৰ খাই থকাৰ ফলত তাতো SEBA আৰু উচ্চতৰ মাঃ শিঃ সংসদৰ দ্বৈত পৰিচলনা চলি থাকিল। উচ্চতৰ মাধ্যমিক প্ৰথম আৰু দ্বিতীয় বাৰ্ষিক এই দুটা শ্ৰেণীৰ স্তৰটো দুটা বৃহৎ অনুষ্ঠানৰ সৈতে মেৰুদণ্ড বিহীন ভাবে উলমি থকাৰ ফলত এই গুৰুত্বপূৰ্ণ শিক্ষা ব্যৱস্থাটোৰ অৱস্থা দুৰ্ভাগ্যজনকভাবে নানা সমস্যাৰে জৰ্জৰিত হ'ল। ভাৰতৰ প্ৰায়বোৰ ৰাজ্যতে এই শ্ৰেণী দুটা উচ্চ মাধ্যমিক বিদ্যালয় সমূহ আৰু ইউ. জি. চিৰ কাৰ্যক্ৰমনিকাৰ অন্তৰ্গত ডিগ্ৰী কলেজসমূহৰ পৰা সম্পূৰ্ণ ভাবে পৃথককৈ "ইনটাৰমিডিয়েট" কলেজ স্থাপনৰ জৰিয়তে সুন্দৰভাবে চলাই থকা হৈছে। কিন্তু অসমত এতিয়ালৈকে সেয়া হৈ নুঠিল।

হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে পাছ কৰি ছাত্ৰ-ছাত্ৰীসকলে এখন বিদ্যালয়ৰে উচ্চতৰ মাধ্যমিক শ্ৰেণীত নাম ভৰ্ত্তি নকৰে। তেওঁলোকে এটা নতুন পৰিবেশত উন্নত ভাবে শিক্ষা গ্ৰহণ কৰিবলৈ বিচাৰে। সেইবাবে তেওঁলোকে চহৰৰ ভাল কলেজখনতেই নাম ভৰ্ত্তি কৰে। ফলত বিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক শ্ৰেণীত তুলনামূলক ভাবে কম মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰী সকলেহে নাম ভৰ্ত্তি কৰেহি। মহাবিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰী সকলে নতুন পৰিবেশ পোৱাৰ লগতে উন্নত ধৰণৰ সা সুবিধাও লাভ কৰে। কিন্তু মহাবিদ্যালয়ৰ শিক্ষক সকলক এই দুটা শ্ৰেণীৰ পাঠদানৰ বাবে কোনো ধৰণৰ অতিৰিক্ত বানচ দিয়া নহয়। কিয়নো ইউ. জি. চি ৰ নিয়মানুসৰি কলেজসমূহত কেৱল ডিগ্ৰী (বা বিশেষ ক্ষেত্ৰত স্নাতকোত্তৰ) শ্ৰেণীৰ শিক্ষা ব্যৱস্থাহে প্ৰচলন কৰা হৈছে। গতিকে উচ্চতৰ মাধ্যমিক শ্ৰেণী দুটাৰ এই বৃহৎ বোজাটো মহাবিদ্যালয় সমূহত নিৰৰ্থক ভাবে জাপি থোৱা আছে। চহৰ অঞ্চলৰ দুই এখন বিদ্যালয়ৰ বাদে গাওঁ অঞ্চলত বিস্তৃত হৈ থকা অধিকাংশ বিদ্যালয়তেই উচ্চতৰ মাধ্যমিক শ্ৰেণী দুটাৰ প্ৰয়োজনীয় সা-সুবিধাৰ অভাৱ। আনকি ইয়াৰ বহুততে শিক্ষা দানৰ ন্যূনতম সুবিধাখিনিও নাই। অথচ বছৰি বছৰি অপৰিকল্পিত ভাবে উচ্চ মাধ্যমিক বিদ্যালয়সমূহ উচ্চতৰ মাধ্যমিকলৈ উন্নীত কৰি আছে। উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত এই শ্ৰেণী দুটাত শিক্ষা দানৰ বাবে প্ৰতিটো বিষয়ত মাত্ৰ এজনকৈ বিষয় শিক্ষককেই (কলা আৰু বিজ্ঞান শাখা থাকিলে অসমীয়া আৰু ইংৰাজীত দুজনকৈ) পাঠদান কৰিব লাগে যিটো বাস্তৱক্ষেত্ৰত ফলদায়ক হৈ নুঠে। অথচ ইউ. জি. চিয়ে তিনিবছৰীয়া স্নাতক ডিগ্ৰী পাঠ্যক্ৰমৰ বাবে মহাবিদ্যালয়সমূহত প্ৰতিটো বিষয়ত আঠ জনকৈ (মেজৰ পাঠ্যক্ৰম থাকিলে) শিক্ষকৰ নিযুক্তিৰ ব্যৱস্থা কৰিছে। তদুপৰি বেতনকে ধৰি অন্যান্য সা-সুবিধাৰ ক্ষেত্ৰতো উচ্চতৰ মাধ্যমিকৰ বিষয় শিক্ষকসকল অন্যায়ভাবে বঞ্চিত হৈ আহিছে। উপযুক্ত সা-সুবিধাত পঢ়িবলৈ নেপাই যিদৰে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত হীনমন্যতাত ভোগে সেইদৰে উপযুক্ত অৰ্হতাসম্পন্ন (প্ৰথম শ্ৰেণীৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী হোৱাৰ বাদেও ডক্টৰেট ডিগ্ৰীধাৰী) হোৱা স্বত্বেও উপযুক্ত সা-সুবিধা তথা পদ মৰ্যদাৰ পৰা বঞ্চিত হ'ব লগা হোৱাত বিষয় শিক্ষক সকলো ক্ষোভ আৰু হীনমন্যতাত ভুগে যাৰ ফলত তেওঁলোকৰ কৰ্মস্পৃহা হ্ৰাস পায়। ইয়াৰোপৰি উচ্চতৰ মাধ্যমিকৰ শ্ৰেণী দুটা উচ্চ মাধ্যমিক শাখাৰ লগত নিৰৰ্থকভাবে সাঙোৰ খাই থকাৰ ফলত দুয়ো শাখাৰ মাজত এক অহেতুক অন্তৰ্বিবাদ সৃষ্টি হয়। যাৰ কুফল সংশ্লিষ্ট সকলোৰে ভোগ কৰিব লগা হয়। দুয়োটা শাখাৰ কাম-কাজ দুটা বেলেগ বেলেগ বিভাগৰ দ্বাৰা পৰিচালিত হ'ব লগা হোৱাত, নানাধৰণৰ প্ৰশাসনীয় খেলিমেলিৰ মাজতে শিক্ষাদান চলাই থাকিব লগা হোৱাত কিছুমান তিক্ত অভিজ্ঞতাৰ সন্মুখীন হ'ব লগা হয়। তদুপৰি দুয়োটা শাখাৰে পৰীক্ষাসমূহ একেটা অনুষ্ঠানতে অনুষ্ঠিত কৰিব লগা হোৱাত মুঠ শৈক্ষিক দিনবো ক্ষতি হয়।

আজি এই বিজ্ঞানৰ অগ্ৰগতিৰ আধুনিক যুগত সকলো ছাত্ৰ-ছাত্ৰীয়েই বৌদ্ধিক উৎকৰ্ষ সাধনৰ বাবে এটি সুপৰিবেশ, আকৰ্ষণীয় বিদ্যালয় ভৱন, বিজ্ঞানসন্মত শ্ৰেণী কোঠা, পুথিভঁৰাল, জিৰণি কোঠা, খেলা-ধূলা আৰু সাংস্কৃতিক সা-সুবিধা বিচাৰে। এখন প্ৰগতিশীল দেশত ছাত্ৰ সমাজক এইখিনি সুবিধা আগবঢ়াব নোৱাৰিলে মানৱ সম্পদৰ বিকাশ নহৈ দুখজনক ভাবে হানিহে হ'ব। সেই হেতুকে বৰ্তমান অৱস্থাত উচ্চ মাধ্যমিক স্তৰত, উচ্চতৰ মাধ্যমিক স্তৰত আৰু স্নাতক স্তৰত উপযুক্ত শিক্ষা প্ৰদানৰ বাবে এক অনুকুল আৰু সৰল পৰিবেশ সৃষ্টিৰ বাবে উচ্চতৰ মাধ্যমিক শ্ৰেণীটো বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাঁয়াৰ পৰা সম্পূৰ্ণকৈ পৃথক কৰি একক অনুষ্ঠান হিচাপে গঢ়ি তোলাৰ বাদে দ্বিতীয় উপায় নাই।❑

লেখকৰ ঠিকনা ঃ ফৌজদাৰীপট্টি, কুতুবুদ্দিন আহমেদ ৰোড, নগাওঁ- ৭৮২০০১।

## নিবনুৱা সমস্যাৰ সমাধান

*(১২ পৃষ্ঠাৰ পৰা)*

পাৰিব। এনে প্ৰশিক্ষণত তত্ত্বতকৈ ব্যৱহাৰিক শিক্ষাৰ ওপৰতহে গুৰুত্ব দিয়া হয়। তেনেকৈ সমাজত শাৰীৰিক শ্ৰমৰ প্ৰতি অনীহা আৰু নানা বৃত্তিৰ প্ৰতি (যেনে — চামৰাৰ কাম, মাছ পোহা, কাপোৰ ধোৱা) অন্ধবিশ্বাসী সনাতন ঘৃণা বা অৱহেলা দূৰ কৰিবলৈ যথোচিত ব্যৱস্থা ল'ব পাৰিব।

এনে সৰ্বাংগীন সংস্কাৰৰ বাবে অসমত নতুন ৰাজনৈতিক শক্তি প্ৰস্তুত এতিয়াও হোৱা নাই। সকলোবোৰ নতুন বটলত পুৰণা মদ। সেয়ে নিবনুৱা সমস্যাৰ প্ৰকোপ কমা নাই যদিও বিনিয়োগ, প্ৰকল্প আদি বাঢ়ি আছে।❑

# কিতাপবোৰ মোৰ জ্বলাই দিয়া

□ বেৰ্টোল্ট ব্ৰেখট (জাৰ্মান)

চৰকাৰৰ আদেশ ঃ

সকলো কিতাপ প্ৰকাশ্যে জ্বলাই দিয়া
যিয়ে মগজুত দিয়ে বিপদজনক বুদ্ধি ;
বলদবোৰক পিঠিত চপৰিয়াই এৰি দিয়া হ'ল
কিতাপ বোজাই গাড়ীবোৰক কিতাপ পোৰাৰ অগ্নি উৎসৱলৈ
টানি লৈ যাবলৈ।



এজন নিৰ্বাসিত কবি,
পোৰা কিতাপৰ তালিকাখন ভালকৈ চালে
তেওঁৰ কিতাপবোৰ বাদ গৈছে ভুলতে,
ক্ষুব্ধ তেওঁ, দৌৰি গ'ল তেওঁৰ লেখা মেজলৈ।
পত্ৰৰে জনালে শাসক-শক্তিক
এনে ধৰ্ষণৰ দুৰ্ব্যৱহাৰ দয়া কৰি নকৰিব
মোৰ প্ৰতি, মোক নকৰিব ত্যাগ।
মই কি মোৰ কিতাপৰ মাজেৰে সদায় সজোৰে কৰা নাই
সত্যৰ ঘোষণা ?
এনে ব্যৱহাৰ কৰিছে আপোনালোকে
যেন মই আছিল মিথ্যাবাদী এজন ঃ
দাবী মোৰ
জ্বলাই দিয়া মোৰ কিতাপবোৰ।




# দধিচী

□ সূৰ্য লাহিড়ী

তোমালোকৰ এই যান্ত্ৰিক ষড়যন্ত্ৰত মোক চামিল কৰিব নোৱাৰিবা
জানো, আত্মহত্যাৰ পথো আৰু খোলা থকা নাই
জন্মৰ পিছতেই তোমালোকে জাপি দিছা
'স্বাভাৱিক মানুহ'ৰ 'মুখা'
আৰু কাঢ়ি নিছা
লাজ, বিবেক, বিদ্ৰোহ আৰু আত্মমৰ্যদা
'স্বাভাৱিক মানুহ'ৰ মুখা খুলি দিলেই তোমালোকে কোৱা আইনৰ কথা,
মস্তিষ্কৰ সুন্দৰ, কোমল যন্ত্ৰক
কৰি তুলিছা বিষাক্ত, পাশৱিক !

মোৰ শৰীৰ, আৰু অন্ধকাৰত বিলীন হৈ যাব খোজে
এই অন্ধকাৰ গুহাত পোহৰ বিচাৰি
কঠিন শিল, মাটিত মিলি যাম 'মই'



তথাপি বন্ধু—
দধিচী আজিও জীয়াই আছে।

কবিৰ ঠিকনা ঃ ডিব্ৰুগড়, অসম।

# অলপ আত্মীয়তাৰ সন্ধান

❑ মৃত্যুঞ্জয় মহন্ত

■■ ফেন্টাচীৰ এসন্ধ্যা ঃ

যিখিনি ঠাইত বৰকাকতিয়ে মটৰ চাইকেলখন ৰখালে, তাত কেইবছৰমান আগেয়ে এটা ষ্ট্ৰীট লাইট আছিল। লাইট্ পষ্টটো দৈত্যৰ দৰে থিয় হৈ আছে।

ঠাইখিনি আন্ধাৰ হ'ব লাগিছিল, কিন্তু অলপ আঁতৰতে থকা পাৰ্কখনৰ ক'লা গান্ধীমূৰ্ত্তিটোৰ দুইকাষে জ্বলিছে দুটা হেল'জেন লাইট। তাৰ পৰা চকামকা পোহৰ আহি ঠাইখিনিত পৰিছেহি। বৰকাকতিয়ে মটৰ চাইকেলখন অলপ আন্ধাৰলৈ নি ষ্টেণ্ড কৰিলে। যোৱা বছৰ এচ. পি. য়ে চিজ্ কৰা মটৰ চাইকলখন এতিয়া তেওঁৰ সৈতে টাকুৰি ঘূৰাদি ঘূৰি ফুৰে। মটৰ চাইকেলখনৰ পাছফালে বান্দৰৰ দৰে উঠি ফুৰে যিকোনো এজন কনিষ্টবল। আজিও ইয়াৰ ব্যতিক্ৰম নহ'ল।

'অ' চাৰ, এইটোৱেই স্পট আৰু (অশ্লীল) গোটেই জাকে ৰাসলীলা কৰে ইয়াত। চব দুই নম্বৰী চাণ্ডাৰ (অশ্লীল)।"

কনিষ্টবল নং ১৩. হৰিপ্ৰসাদে তেওঁৰ পাচ ফালৰ পৰা চিঞৰিলে।

'অ'ই কুফ্ফা চালা, যিটো চিঞৰ দিছে কোনোবা আছে যদিও পলাই ফাৎ মাৰিব।" — বৰকাকতিয়ে হৰিপ্ৰসাদৰ ফালে ঘূৰি, লাহে লাহে ক'লে। ১৩ নম্বৰ হোৱা বাবে থানাত হৰিপ্ৰসাদ কুফ্ফা বুলিয়েই জনাজাত।

'চাধা এপালি বনাছোন। আৰু শুন কে ...... পোহৰৰ ফালে নোলাবি। অলপ আঁৰত থাক। আজি ফচিবই।" — কথাখিনি কৈ বৰকাকতিয়ে লংপেণ্টৰ জেপত হাত ভৰাই চালে। ফিল্টাৰ চিগাৰেটৰ পেকেট এটা উলাই আহিল। অৱশিষ্ট এটাহে বাকী আছেগৈ। আনটো জেপত হাত ভৰাই চাধাৰ টেমাটো উলিয়াই হৰিপ্ৰসাদক দি তেওঁ ভাবিলে — 'চিগাৰেটটো একেবাৰে ভাত খোৱাৰ পাছতহে খাব লাগিব।'

কান্ধত গদা লোৱাদি লাখুটিডাল লৈ হৰিপ্ৰসাদে আন্ধাৰৰ আঁৰ ললে।

মটৰ চাইকেলখনৰ ওপৰত বহি বৰকাকতিয়ে পাৰ্কখনলৈ চাই পঠিয়ালে। অলপ অলপ কুঁৱলী পৰিছে। পাৰ্কখন জনপ্ৰাণীহীন যেনেই লাগিল তেওঁৰ। তেওঁ কল্পনা কৰিলে, কেইজনমান নিৰ্দিষ্ট মানুহ আহি পাৰ্কখনত বহিবহি। তাৰ ভিতৰত চাৰিবছৰমানৰ আগতে সাতজন মানুহক হত্যা কৰি পলোৱা দাগী আচামী বিল্লু, ঘৈণীয়েকৰ পুৰণা প্ৰেমিক ৰজত মাষ্টৰ ইত্যাদি। বিল্লুক ধৰাৰ চলেৰে ৰজত মাষ্টৰৰ কলাফুলেদি এটা গুলী তেওঁ সৰকাই দিব। আৰু তাৰ পাছত, তাৰ পাছত এখন অৰ্ডাৰ আহিব য'ত থাকিব কেইটামান মিঠা শব্দ -- ৰঞ্জন বৰকাকতি, ইজ হিয়েৰবাই প্ৰমোটেড টু দি ৰেংক অৱ ইনচ্পেক্টৰ ......

"অ' চাৰ চাধা।" — হৰিপ্ৰসাদৰ মাতত উচপ খাই উঠিল বৰকাকতি।



চাধাখিনি মুখত সোমোৱাই বৰকাকতিয়ে আকৌ পাৰ্কখনলৈ চালে। ............

ৰজত মাষ্টৰৰ হাতৰ পৰা কাঢ়ি আনি কাজৰিক বিয়া কৰোৱাৰ পিছত, বৰকাকতিয়ে তাইক পোনে পোনেই কোৱাৰ্টাৰলৈকে লৈ আনিছিল। কোৱাৰ্টাৰটোৰ ৰুম তিনিটা। এটাত পাকঘৰ, এটাত বেড্ৰুম আৰু আনটো ৰুমত বৰকাকতিৰ বেমাৰী মাক থাকে। মাকৰ বয়স হৈছে, তাতে হাৰ্টৰ অসুখ থকা মানুহ। কাজৰীয়ে মাকৰ শুশ্ৰষা কৰোঁতেই অত্যধিক সময় যায়। তেওঁৰ সৈতে ভালকৈ কথা এষাৰো পাতিব নোৱাৰে। কাজৰিয়ে এদিন তেওঁক কৈছিল — "ইয়াত সোমাই সোমাই মোৰ উশাহ বন্ধ হৈ গৈছে। ক'ৰবালৈ ফুৰাবলৈ নিবছোন মোক।"

"ক'তনো নিম ?" সুধিছিল তেওঁ।

"কিয় সেই যে মৰঙি চাৰিআলিৰ ওচৰৰ পাৰ্কখন। তাতেই ভালকৈ বহি কথা পাতিব পাৰো দেখোন। ইমানদিন হ'ল আপোনাৰ সৈতে বহি ভালকৈ কথা এষাৰো পাতিব পৰা নাই।"

এই মূহুৰ্ত্তত কাজৰিৰ অভিমানেৰে ভৰা কথাষাৰ মনত পৰি বৰকাকতিৰ মনটো সেমেকি গ'ল। এইখনেই সেই পাৰ্কখন !

'অ' চাৰ। যোৱাবাৰৰ ৰাসত কে ......... বাঁহ তলীত কেইটামানক পাই লকআপত ....... । ........... কা বাচ্ছা, কৈ আছিলো একচ টাকা দে। ........"

"চুপ কুফ্ফা।"...... বৰকাকতিৰ বিৰক্তি লাগিল।

অলপ ঠাণ্ডা পৰিছে। গ্ৰেটকোটটোৰ কলাৰ দুটা উঠাই ল'লে বৰকাকতিয়ে। হ'লষ্টাৰত সোমাই থকা ৩৫ ব'ৰৰ ৰিভলভাৰটোও চেঁচা হৈ আছে। বহুদিন হ'ল ইয়াক কামত লগোৱা নাই। টি. এচ. আই, বৰকাকতি বুলিলে চহৰখনৰ 'দুই নম্বৰী জীৱবোৰে' এনেয়েই সেপ্ ঢুকে। গুলীৰ প্ৰয়োজনেই নাই।

"অ' চাৰ। যোৱাবাৰ ৰাসত যে ...... !" আকৌ হৰিপ্ৰসাদে চিঞৰিলে।

"চুপ্ কি ৰাস ৰাস চিঞৰি আছ।" —— বৰকাকতিয়ে 'ৰাস'ৰ কথা কলে লাজ পায়। কাৰণ ৰাসৰ দিনাই তেওঁ কাজৰিক পলুৱাই আনিছিল।

খুক খুক খুক .... হৰিপ্ৰসাদ কুফ্ফাই হাঁহিলে। শিয়ালৰ দৰে। "থুই ........... অ' চাৰ" - 'কুফ্ফা'ই আকৌ মাতিলে, এইবাৰ মৃদু কণ্ঠেৰে। "অ' চাৰ মটৰ চাইকেল একটা আহিছে। কে..... .... লফাই যেন পাঁও !" — একেজাপে গছ এজোপাৰ আঁৰত লুকাল হৰিপ্ৰসাদ। লাঠিডাল হাতৰ পৰা সৰি পৰিল।

হ'লষ্টাৰৰ পৰা ৰিভলভাৰটো উলিয়াই, বৰকাকতি লুণ্ডলুণ্ডীয়া ৰাস্তাটোৰ মাজত ৰৈ মটৰ চাইকেলৰ চালকক ৰ'বলৈ ইংগিত দিলে। বৰকাকতিৰ প্ৰকাণ্ড অৱয়বে মটৰ চাইকেলখনৰ হেডলাইটটোৰ পোহৰক ভেটা দিলে।

"কাকতি দা। চেকিং নেকি ?" মটৰ চাইকেল আৰোহীৰ কণ্ঠটো শুনা পাই হৰিপ্ৰসাদ গছৰ আঁৰৰ পৰা ওলাই আহিল। ৰাস্তাত পৰি থকা লাখুটিডাল লৈ বীৰদৰ্পে আগবাঢ়িল। — "অ' চাৰ। দুচাতমান লগাই দিওঁ নেকি ?" বৰকাকতিয়ে টৰ্চ মাৰি মটৰ চাইকেল আৰোহী চেমনীয়া দুটাৰ মুখ কেইখন চালে। ভাল ঘৰৰ ল'ৰা। ছোৱালী জোকোৱা আৰু মটৰ চাইকেল



OKDISCD

লৈ টলৌ টলৌকৈ ঘূৰি ফুৰাত সিদ্ধহস্ত।

"এই ৰাথিখন কে .... কোন বাপেৰৰ বিয়া খাব গৈছিলি ?

"নাই কাকতি দা"।

"যা ফুট" — বৰকাকতিয়ে ক'লে। মটৰ চাইকেল ষ্টাট দি ল'ৰা দুটাই আঁতৰি গ'ল।

"দুটাকামান ল'ব লাগিছিল।" — থুতৰিৰ তলৰ পৰা চাধাখিনি উলিয়াই দলিয়াই ক'লে হৰিপ্ৰসাদে।

"কে ..... পোৱালী ল'ৰা।"

"পোৱালীয়েইটো পোৱালী জগাব চাৰ। হুক — হুক — হুক।"

এবাৰ পাৰ্কৰ ফালে আন্ধাৰতে চাই পঠিয়ালে বৰকাকতিয়ে। পাৰ্কখনত আজি শূণ্য ! তেওঁ আজি ইয়াত হাংগামা কৰিব বুলি গম পাই গৈছে চাল্লা ঢাণ্ডাবাজবোৰে। মনে মনে ভাবিলে তেওঁ।

"অ' চাৰ। এই পোৱালীবোৰেই ড্ৰাগছৰ নচা কৰে। পকেটত চেকিং কৰাহেঁতেন বহু পুৰীয়া পালেহেঁতেন।

"চুপ কুফ্‌ফা। তোৰ টেং টেঙীয়া মাতটো শুনিয়েই আজি ইয়াত কোনো অহা নাই।"

বিয়াৰ চাৰিবছৰৰ পাছতো বৰকাকতিয়ে সন্তান জন্ম দিব পৰা নাই। যিটোহে কোৱাৰ্টাৰ তাত আৰু এজন নতুন আলহীৰ কথা ভাবিবই নোৱাৰি। সেইকাৰণে এই সৰু সৰু ল'ৰাবোৰে দেখিলে তেওঁৰ মৰম উপজে। অলপ বুজাই কৰি সিঁহতক বেয়া পথৰ পৰা ঘূৰাই আনিবলৈ মন যায় ভাল পথলৈ। কেতিয়াবা কেতিয়াবা তেওঁৰ ধৈৰ্য্যৰ বান্ধ খুলি গ'লেই দুই এচাট দিয়ে।

"অ' চাৰ আজি ফিকা যাব যেন পাওঁ। হাতৰ খুজ্‌লিটো উঠিয়েই আছে চালা।"

■■ ২ ডিচেম্বৰ ঃ

ৰঞ্জন বৰকাকতিৰ চাকৰি কালত গুড় চাৰ্ভিচ মাৰ্ক বহুতো আছে। আৰু এই মাৰ্কবোৰ বাবেই তেওঁ এতিয়া টি, এছ-আই, হৈছেহি। চাকৰি কালত পইচা বেছি কৰিব পৰা নাই তেওঁ। প্ৰায়বোৰ কেচতেই মানৱীয়তাৰ খাতিৰত আচামীক তেওঁ আধাবাটতে এৰি দিছে।

২ ডিচেম্বৰৰ ৰাতি তেওঁৰ এটা গুলি খৰছ হৈছিল। সেই ৰাতি প্ৰমোচনৰ সপোনে তেওঁক উৎসাহিত কৰি তুলিছিল। তেওঁৰ সৈতে এক চেকচ্‌ন আৰ্মৰ্ড পাৰ্টিও আছিল। এচ. পিয়ে তেওঁকেই গুৰু দায়িত্ব দি কৈছিল — "বৰকাকতি, যাক ধৰিব মই ধৰিব পঠাইছো তেওঁ অত্যন্ত চালাক মানুহ। আৰু শুনক ই সাৰি যাব লাগিলে আমাৰ ডিপাৰ্টমেণ্টৰ বদনাম হৈ যাব পাৰে। পলালে গুলিয়াই মাৰি দিব। তেওঁ বাচি যাতে নাযায়।" মানুহটোক তেওঁ ধৰিছিল ঠিকেই। বাচখনত আহি আছিল মানুহটো। এটা নিষিদ্ধ সংগঠনৰ নেতা। বাচখন ৰখাই মানুহটোক ভিতৰৰ পৰা তেওঁৰেই ধৰি আনিছিল। আৰ্মৰ্ড পাৰ্টিয়ে তাক কোবাই কোবাই আধা মৰা কৰিছিল। তেওঁৰেই বাধা দিছিল। নিমাখিত যেন লগা দুধৰ্ষ মানুহটোক দেখি তেওঁৰ সেই দিনা পুতৌ উপজিছিল।

আৰু সেই সুযোগ লৈয়েই সি তেওঁলোকৰ হাতৰ পৰা এৰা খাই পলাই গৈছিল। কি



আচৰিত সাহসৰ মানুহ আছিল।

তাৰ পিছত ডিপাৰ্টমেণ্টেল প্ৰচিডিং, চাচপেন্সন, আকৌ চাকৰী। কিন্তু তেওঁৰ চাৰ্ভিচ কেৰিয়াৰত তেতিয়াৰ পৰা এটা ডাঙৰ স্পট পৰি গৈছিল। তেওঁ অৱশ্যে কাকো কোৱা নাছিল। মানুহটো পলাওঁতে তেওঁ শূন্যলৈ গুলি এৰিছিল।

■■ "অ' চাৰ কি চিন্তা কৰিছে। আজি ফিকা যাব নেকি ?" — হৰি প্ৰসাদৰ মাতটোৱে বৰকাকতিক বাস্তৱলৈ উভতাই আনিলে।

হয়তো আজি ফিকাই যাব নেকি ? ভাবিলে তেওঁ।

"অ' কুফ্‌ফা ব'লছোন, পাৰ্কটোত এবাৰ চক্কৰ এটা দিওঁ।"

"ব'লক চাৰ। চাৰ!!" — বৰকাকতিৰ পাছে পাছে লাখুটিডাল জোকাৰি জোকাৰি আগবাঢ়িল হৰিপ্ৰসাদে।

কুঁৱলি পৰিছে। পাতল কুঁৱলিৰ চামনিখনে চৌদিশে ধুসৰতাৰ এখন চাদৰহে যেন ঢাকি দিছে।

পাৰ্কখনৰ প্ৰৱেশ পথটো বিচাৰোতেই অলপ সময় গ'ল। গেটখন খোলা।

সতৰ্কতাৰে আগবাঢ়িল বৰকাকতি।

"চা — ৰ । হেইটো।" হৰিপ্ৰসাদে হঠাতে তেওঁক হেঁচুকি দিলে। ৰৈ গ'ল বৰকাকতি। তেওঁলোকৰ ফালে পিঠি দি মানুহ এটা বহি আছে পাৰ্কৰ বেঞ্চত। মূৰত উলৰ টুপী। গাত এড়ি চাদৰ।

লুকা। বৰকাকতিৰ নিৰ্দেশ পাই হৰিপ্ৰসাদে ফুলৰ জোপোহা এটাৰ আঁৰত লুকাল।

বৰকাকতিয়ে নিজেও মহাত্মা গান্ধীৰ প্ৰকাণ্ড ক'লা মূৰ্ত্তিটোৰ আঁৰত লুকাই পৰিল।

মূৰ্ত্তিটোৰ পাছফালে থিয়হৈ তেওঁ মিনি টৰ্চটো জ্বলাই ঘড়ীটো চালে ৭-৩০।

টৰ্চৰ পোহৰেৰে ইংগিত দি হৰিপ্ৰসাদক মাতিলে তেওঁ।

ক'ৰবাত কুকুৰে ভুকি উঠিল। সুদুৰৰ পৰা গাড়ীৰ শব্দ ভাঁহিল। আৰু হঠাতে বৰকাকতিয়ে অনুভৱ কৰিলে আৰু এটা শব্দ। ঠিকেই মানুহটো বহি থকাৰ পৰাই আহিছে। ঠিকেই খু..উ..ৰ লাহেকৈ কাঁহিছে সি।

ভাঙ খাইছে নেকি বাৰু ? ভাবিলে তেওঁ। পাৰ্কখনত ড্ৰাগছ, কানি, ভাঙ আদিৰ আদান-প্ৰদান চলা বুলি তেওঁ গম পায়। জেকা বতাহত জোৰেৰে শুঙি চাই তেওঁ কিবা গোন্ধ পোৱাৰ আশাত। ঠাণ্ডা উশাহ-নিশ্বাস এজাকে তেওঁৰ সৰ্বশৰীৰ কঁপাই গ'ল।

"থ'ৰা দেৰ ৰুকি চাব লাগিব। ইয়াৰ কিবা দুনম্বৰী ঢাণ্ডা আছে।" ফুচফুচাই ক'লে হৰিপ্ৰসাদে।

■■ প্ৰায় দুয়ো মূৰ্ত্তিটোৰ পাছফালেই ৰ'ল। পাৰ্কৰ বেঞ্চত বহি থকা মানুহটো উঠিল। লেঙেৰাই লেঙেৰাই খোজ কাঢ়ি ইফালে সিফালে চালে। তাৰ পাছত পুনৰ বেঞ্চখন, এড়ি চাদৰখন মূৰে গায়ে লৈ শুই পৰিল।

"কুফ্‌ফা ব'ল।" — বৰকাকতিয়ে টোপাকাঁড় যোৱাদি গৈ মানুহটোৰ ওচৰ পালেগৈ।

পাছে পাছে হৰিপ্ৰসাদ।

বেঞ্চখনত বৰ নিৰ্ভয়ে শুই আছে মানুহটো। কুঁৱলিত মানুহটোক কাপোৰেৰে ঢকা মৰাশ যেন লাগিল। হৰিপ্ৰসাদে প্ৰথমে মানুহটোৰ ভৰিলৈ টৰ্চ মাৰিলে। ভৰিত এযোৰ উৰলি যোৱা হাণ্টিং বুট।

"অ' চাৰ এইটো মেধী যেন পাওঁ। ৰাতি মাল টানি পৰি আছেহি নিকি ?"

কোনোবা এক অজান মেধীৰ কথা কৈ চিঞৰিয়েই উঠিল হৰিপ্ৰসাদে। আৰু লগে লগে খকমক খাই মানুহটো উঠি বহিল। মুখনত হৰিপ্ৰসাদৰ টৰ্চৰ পোহৰ পৰিল।

চক্ খাই উঠিল বৰকাকতি।

সেই ২ ডিচেম্বৰৰ ঘটনাটো।

■■ "দিও নেকি দুই দাণ্ডা"। — হৰিপ্ৰসাদে চিঞৰি উঠিল। "চুপ্ —।" বৰকাকতি নিৰ্লিপ্তভাবে মানুহটোৰ কাষত বহি পৰিল।

"ঘৰ ক'ত?" সুধিলে তেওঁ। অথচ তেওঁ জানে এই মানুহটো সাধাৰণ মানুহ নহয়। দুই ডিচেম্বৰৰ ৰাতি তেওঁক শলঠেকত পেলাই পলোৱা মানুহটো এইটোৱেই।

"চাৰ ঘৰ। ঘৰ মৰাণত। ইয়াতে সম্বন্ধীয় মামা এজন আছিল। মোৰ অলপ অসুখ হৈ আছিল, অলপ সাহাৰ্য্য বিচাৰি আহিছিলো। ভৰিত ঘাঁ হৈছে চাৰ।"

"ওঁ। — দিনকাল বেয়া এনেকে য'তে ত'তে ঘুৰি নুফুৰিবি।" কবলৈ মন গৈছিল তেওঁ। নকলে। ক'বলৈ মন নগ'ল। ইমান বছৰে চাকৰি কৰিছে তেওঁ, কেৱল নিজৰ স্বাৰ্থৰ বাবেই হাজাৰটা বিপজ্জনক কাম কৰি গৈছে তেওঁ। কতো দেশৰ স্বাৰ্থ, মানুহৰ স্বাৰ্থত গুৰুত্ব দিয়া নাই তেওঁ। অথচ তেওঁ থাকিবলৈ এটা কোৱাৰ্টাৰ পাইছে। ঘৰত তেওঁ শান্তিৰে শুব পাৰিছে। এই মানুহটোৱে দেশৰ বাবে কাম কৰি গৈছে। য'ত তাৰ নিজৰ স্বাৰ্থ একোৱেই নাই। আৰু সিয়েই আশ্ৰয়ৰ অভাৱত পৰি আছে পাৰ্কৰ বেঞ্চত। গোটেই পৃথিৱীখনেই নিকৃষ্টযেন লাগি গ'ল বৰকাকতিৰ। "থাকিবলৈ ক'তো জেগা নাপালি আৰু ?" নিজৰ মনৰ ভাবটো লুকুৱাই তেওঁ দুটা মাতেৰে ক'লে।

"নাই চাৰ"। বেঞ্চৰ পৰা উঠি থিয় হ'ল বৰকাকতি।

"চাৰ মাল চাল কিবা আছে নেকি ? অলপ চেক্ কৰি চাব লাগিছিল।" — হৰিপ্ৰসাদে ক'লে।

"নালাগে ব'ল।"

মানুহটোৱে ভেবা লাগি চাই ৰ'ল তেওঁলৈ।

গ্ৰেটকোটটোৰে প্ৰকাণ্ড অৱয়বৰ মানুহটোৰ মুখত জিলিকিল কিবা এক অজান মধুৰতা।

মানুহটোৱে চাই থকা দেখি বৰকাকতিয়ে সুধিলে — "চিগাৰেট এটা খাবি নিকি ?"❑

---

লেখকৰ ঠিকনা ঃ মাৰফৎ বিস্ময় প্ৰকাশ, হেদায়েৎপুৰ, গুৱাহাটী,






## বিদ্ৰোহীৰ ভূমিকাত ছাত্ৰ সংগঠন ঃ

# গৃহ যুদ্ধত ৰক্তাক্ত আফগানিস্থানঃ শান্তি সুদূৰ পৰাহত

❑ প্ৰদীপ মছাহাৰী

**২৭-৯-৯৬** তাৰিখ। শুক্ৰবাৰ। আফগানিস্থানৰ ইতিহাসত এই দিনটো বিশেষভাবে চিহ্নিত হৈ ৰ'ব। কিয়নো এই দিনটোৰ পুৱতি নিশাতেই তালিবান মিলিশ্বয়াই আপাগানিস্থানৰ ৰাজধানী কাবুল দখল কৰি ক্ষমতা হস্তগত কৰে আৰু ছয়জনীয়া সদস্য বিশিষ্ট এখন পৰিষদ গঠন কৰে। এই অস্থায়ী আফগান চৰকাৰৰ মুখ্য নেতৃত্বত আছে মোল্লা মহমদ ৰব্বানী, উপমুখ্য মোল্লা মহমদ ওমৰ আৰু বৈদেশিক মন্ত্ৰীৰ দায়িত্বত আছে মোল্লা মহমদ দাউচ ইত্যাদি। এই অস্থায়ী চৰকাৰে আফগানিস্থানক ধৰ্মীয় দেশ বুলি ঘোষণা কৰে।




আফগানিস্থানক ধৰ্মীয় দেশ বুলি ঘোষণা কৰাৰ লগে লগে মহিলাৰ ওপৰত বহুতো সামন্তযুগীয় নিষেধাজ্ঞা জাৰি কৰা হ'ল। এই নিষেধাজ্ঞাৰ ভিতৰত আছে ১। বাধ্যতামূলক ভাবে মহিলাই বোৰ্খা পৰিধান কৰা ২। চাকৰি কৰাত মহিলাক বাধা দিয়া হৈছে ৩। নাৰীৰ শিক্ষানুস্থান, হোষ্টেল আদি বন্ধ কৰি নাৰীৰ শিক্ষা গ্ৰহণৰ অধিকাৰক নাকচ কৰা হৈছে। লগতে T.V. Cinema সংগীত, নৃত্য, বনভোজ চিলা উৰোৱা আদি মনোৰঞ্জন নিষিদ্ধ কৰা হৈছে।

তালিবান চৰকাৰৰ এই নতুন আইন কানুনে ই তিমধ্যে নাৰীৰ অধিকাৰকে আদি কৰি সমস্ত মানৱাধিকাৰ খৰ্ব হোৱাৰ গুৰুতৰ অভিযোগ ইতিমধ্যে আৰ্ন্তজাতিক পৰ্যায়ত উত্থাপিত হ'ব ধৰিছে। কাৰণ গোটেই বিশ্বক চমকখুৱাই তালিবান চৰকাৰে প্ৰাক্তন ৰাষ্ট্ৰপতি ড০ নাজিবুল্লাহ আৰু তেওঁৰ ভাতৃ শাব্‌হনুৰ আহমেদজী সহ দুজন ব্যক্তিক ৰাজপথত লেম্পপষ্টত মুকলিকৈ ফাঁচী দিছে। আফগানিস্থানৰ ক্ষমতা হস্তান্তৰণৰ এয়া তৃতীয় পৰ্যায়। প্ৰথম বিশ্বযুদ্ধৰ পাছত সম্ৰাট

আফগানিস্তান

| | |
|---|---|
| ৰাজধানী | — কাবুল |
| মাটি কালি | — ৬,৫২,০৯০ |
| জনসংখ্যা | — ১.৬৫ কোটি |
| প্ৰধান স্থান | — গজনি, কান্দাহাৰ, ফাৰাহ, হেৰেট্ মাৱাৰ শ্বৰীফ |
| চাৰিসীমা ঃ | |
| পূবত | — পাকিস্তান (ভাৰত) |
| পশ্চিমত | — ইৰাণ |
| উত্তৰত | — উজবেকিস্তান, তাজাম |
| দক্ষিণ ত | — পাকিস্তান। |



OKDISCD

আমানুল্লাহৰ দিনত আফগানিস্থাক পশ্চিমীয়া আদর্শৰে আধুনিকীকৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছিল। কিন্তু ধৰ্ম গোড়া মোল্লা সকলৰ তীব্ৰ বিৰোধীতাত এই প্ৰক্ৰিয়া কাবুলতে সীমাবদ্ধ থাকিবঁলৈ বাধ্য হ'ল। ১৯৭৩ চনত ৰজা জাহিৰ শ্বাহ সিংহাসনচ্যুত হয়। এওঁ চল্লিশ বছৰ শাসন চলাইছিল। তেতিয়াৰে পৰাই আফগানিস্থানত গৃহ যুদ্ধৰ পৰ্যায়ৰ আৰম্ভ হয়। ১৯৭৮ চনত আফাগানিস্থানৰ প্ৰধান মন্ত্ৰী জেনেৰেল দাউদখান নিহত হোৱা দিনৰে পৰা ১৯৯২ চনত ড০ নাজিবুল্লাহ চৰকাৰৰ পতনলৈকে এই সময়চোৱাহে বুজায়।

১৯৭৮ চনত মস্কোৱে কৰা আঁচনি অনুসৰি আফগানিস্থানত এক সামৰিক অভ্যুত্থান ঘটিছিল। এই সামৰিক অভ্যুত্থানতেই জেনেৰেল দাউদ নিহত হৈছিল। আফগান গৃহযুদ্ধৰ এই প্ৰথম পৰ্যায়তে মস্কোৰ (ৰুচিয়া) হস্তক্ষেপত ৪ জন প্ৰেচিডেণ্ট ক্ষমতাচ্যুত হৈছিল। আকৌ নাজিবুল্লা চৰকাৰ পতন ঘটাই মুজাহিদীন গোষ্ঠী সমূহৰ ভিতৰৰে ৭ টা মুজাহিদ্দীন গোষ্ঠীৰে সন্মিলিত চৰকাৰ প্ৰতিষ্ঠা কৰিছিল যদিও গৃহযুদ্ধৰ অন্ত পৰা নাছিল। এই চৰকাৰৰ ৰাষ্ট্ৰপতি বুৰ্হানুদ্দিন ৰাব্বানি, প্ৰধানমন্ত্ৰী গুলবুদ্দিন হেকমটিয়াৰ (হেজব - ই ইছলামী মুজাহিদিন ইছলামী মুজাহিদিন গোষ্ঠী)। ৯২ ৰ এপ্ৰিলৰ পৰা ২৭ চেপ্তেম্বৰ '৯৬ লৈ এয়া আছিল আফগান গৃহযুদ্ধৰ দ্বিতীয় পৰ্যায়। অৱশ্যে ১৯৭৯-৮৯ চন পৰ্যন্ত আফাগানিস্থানত ছোভিয়েট ৰে'ড আৰ্মি থকাৰ পাছত হোৱা জেনেভা চুক্তি মতে ৰেড আৰ্মিয়ে আফগানিস্থান ত্যাগ কৰাৰ লগে লগে আন এক পৰ্যায়ৰ আৰম্ভ হৈছিল।

বৰ্তমান যোৱা ২৭ চেপ্তেম্বৰত সন্মিলিত মুজাহিদিন গোষ্ঠীৰ চৰকাৰক ৰাজধানী কাবুলৰ পৰা তালেবান সকলক উৎখাত কৰাৰ লগে লগে আফগানিস্থান গৃহযুদ্ধই তৃতীয় পৰ্যায়ত ভৰি দিছে।

এইখিনিৰ আমি তালিবান মিলিশ্বিয়া সম্পৰ্কত কিছু কথা আলোচনা কৰিব খুজিছো। 'মৰকাট ই ইনকিলাব — এছ ইছলামী' আফগানিস্থানৰ অন্যান্য মুজাহিদিন গোষ্ঠীৰে এটা। এই গোষ্ঠীয়ে এজন নেতা হ'ল মোল্লা মহম্মদ ওমৰ। এওঁ আফগানিস্থান দখল কৰা ছোভিয়েটৰ বিৰুদ্ধে চলা যুদ্ধকালীন সময়ত এটা চকু আৰু এখন ভৰি হেৰুৱাব লগীয়া হৈছিল। ৯২ ত আফগানিস্থানৰ ক্ষমতা দখল কৰা মুজাহিদিন গোষ্ঠী বোৰৰ ভিতৰত এই গোষ্ঠীটোও জড়িত আছিল। কিন্তু ক্ষমতা দখলৰ পিছত মুদাহিদিন গোষ্ঠীসমূহৰ পাৰস্পৰিক কাজিয়া, দুৰ্নীতি আৰু অপৰাধমূলক কামৰ বাবে বিৰক্ত হৈ মোল্লা মহম্মদ ওমৰে পুৰ্বৰ ধৰ্মীয় স্কুলৰ শিক্ষকতাৰ জীৱনলৈ প্ৰত্যাগমন কৰে। আকৌ ১৯৯৪ চনৰ জুলাই মাহত কান্দাহাৰ প্ৰদেশত এজন মুজাহিদিন কমাণ্ডাৰৰ সহযোগীয়ে তিনিগৰাকী মহিলাক ধৰ্ষণ কৰা ঘটনাক কেন্দ্ৰ কৰি মুজাহিদিন সকলৰ অবৈধ কৰ সংগ্ৰহ আৰু দস্যুজাতীয় কাৰ্যকলাপৰ বিৰুদ্ধে জনমত তীব্ৰ হৈ পৰে। মোল্লা মহম্মদ ওমৰেও ইয়াৰ বিৰোধিতা কৰিবলৈকে ধৰ্মীয় স্কুলৰ ছাত্ৰ সকলৰে এটা ধৰ্মীয় যুৱ ছাত্ৰ সংগঠন গঢ়ি তোলে। এই সংগঠনৰেই নাম ৰখা হয় তালিবান মিলিশ্বিয়া। তালিবান মানে ছাত্ৰ। সংগঠনটোক দৃঢ়কৰণৰ অৰ্থে তালিবানৰ সদস্য সকলৰ চাৰিত্ৰিক বৈশিষ্ট্য নিৰ্দিষ্ট কৰি দিয়া হৈছিল। সেইবোৰ আছিল, ১) ইছলাম ধৰ্মীয় নীতি কঠোৰ ভাবে মানি চলা ২) সাধাৰণ জীৱন



যাপন কৰা, ৩)অবাবত কাকো হত্যা নকৰা ৪)লুটপাত নকৰা, ৫)প্ৰয়োজন অনুসৰি গৃহস্থৰ ঘৰৰ পৰা ভিক্ষা সংগ্ৰহ কৰা ইত্যাদি। এনেবোৰ কাৰণ আৰু ধৰ্মৰ প্ৰতি অধিক আনুগত্য প্ৰকাশ কৰা এই তালিবান মিলিশ্বিয়াই মাত্ৰ ২ বছৰৰ ভিতৰতে আফগানিস্থানৰ ১৭ খন প্ৰদেশত নিজস্ব আৰ্হিৰ শাসন প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। অৱশ্যে ইয়াৰ অন্তৰালত আছে আমেৰিকা, কিয়নো আমেৰিকাই পাকিস্তানৰ আভ্যন্তৰীণ মন্ত্ৰী পৰিষদ আৰু আই, এচ আইৰ জৰিয়তে সৰ্বতোপ্ৰকাৰৰ সাহাৰ্য্য প্ৰদান কৰি আহিছে। তালিবান সকলে যোৱা বছৰ ফেব্ৰুৱাৰী মাহত গুলবুদ্দিন হেক্‌মতিয়াৰ নেতৃত্বাধীন হেজব ই ইছলামী গোষ্ঠীৰ প্ৰধান ঘাটী এটা দখল কৰাৰ পিচতে বিশ্বৰ প্ৰথম দৃষ্টি আকৰ্ষণ কৰে। তাৰ পিচৰে পৰা ক্ৰমবৰ্ধমান শক্তিৰে আগুৱাই আহি যোৱা ২২ চেপ্তেম্বৰত কাবুল দখল কৰে।

**গৃহযুদ্ধ অব্যাহত ঃ** ২৭ চেপ্তেম্বৰৰ দিনা তালিবানসকলে কাবুল আক্ৰমন কৰাত ৰাষ্ট্ৰপতি বুৰ্হানুদ্দিন ৰাব্বানি, প্ৰধানমন্ত্ৰী হেক্‌মটিয়াৰ আৰু সামৰিক প্ৰধান মাছুদে কৌশলগত পশ্চাদপসাৰন কৰে বুলি বৈদেশিক মন্ত্ৰী গৰাকীয়ে প্ৰকাশ কৰিছে। তালিবান সকলে কাবুল দখল কৰাৰ পাচতো ১০ খন প্ৰদেশত তালিবান সকলে দখল সাব্যস্ত কৰিব পৰা নাছিল। বৰ্তমানে বুৰ্হানুদ্দিন ৰাব্বানিৰ সৈন্য আৰু তালিবান সৈন্যৰ মাজত তুমুল যুদ্ধ অব্যাহত আছে। ১০ অক্টোবৰ ৯৬ অপসাৰিত বুৰ্হানুদ্দিন ৰাব্বানি চৰকাৰৰ সামৰিক প্ৰধান জেনেৰেল ৰছিদ দোস্তম আৰু তাজাকাস্তানৰ সেনা প্ৰধান জনৰ মাজত সন্মিলিত জোঁট গঠন কৰিছে। বৰ্তমানে দুই পক্ষৰ ভূমি দখলৰ যুঁজত বহু হাজাৰ লোক গৃহহীন হৈ শৰণাৰ্থী হৈছে। আনহাতে যোৱা ১৮ বছৰৰ এই ৰক্তক্ষয়ী গৃহযুদ্ধত ৪০,০০০ তকৈ অধিক বিধৱা মহিলাই পৰিয়াল পৰিচালনা কৰিব লগা হৈছে।

**আন্তঃৰাষ্ট্ৰীয় প্ৰতিক্ৰিয়া ঃ** গৃহযুদ্ধত পতিত দেশখনৰ জনসাধাৰণ প্ৰকৃততে এতিয়া গোনাম'হ সদৃশ সাম্ৰাজ্যবাদীহঁতৰ যুঁজত বিৰিণাৰ মৰণ লেখিয়া হৈছে। তালিবান মিলিশ্বিয়া পাকিস্তানৰ সাহাৰ্য্য পুষ্ট। পাকিস্তানে মুকলিকৈ তালিবানক সহায় সহযোগ কৰি আহিছে। তালিবানে আফগানিস্থানত ঐক্য প্ৰতিষ্ঠা কৰিব পাৰিলে পাকিস্তানে তালিবান চৰকাৰক স্বীকৃতি জনাব" — পাকিস্তানৰ ভাষ্য। আমেৰিকাৰ CIA পাকিস্তানৰ ISI ৰ জৰিয়তে তালিবানক সহায় কৰি আছে এনেদৰে - যাতে দুখৰ ভাগি হ'ব লগা হ'লে প্ৰথম পাকিস্তানৰ গাতহে যাতে পৰে। পাকিস্তানৰ স'তে ভাৰতৰ স্বাভাৱিক বিৰোধৰ সুত্ৰেৰে ভাৰতে তালিবানক স্বীকৃতি দিয়া নাই। আনহাতে চুবুৰীয়া ৰাষ্ট্ৰ কাজাখস্তান, উজবেকিস্তান, কিৰঘিজস্তান আৰু তাজাকিস্তানে নিৰাপত্তাজনক কাৰণত উদ্বিগ্ন হৈ উমৈহতীয়া প্ৰতিৰক্ষাৰ ব্যৱস্থা কৰিছে। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে যুদ্ধ বিৰতিৰ বাবে উভয়পক্ষক আহ্বান জনাইছে আৰু বহিৰাষ্ট্ৰিক আফগানিস্তানৰ ৰাজনীতিত হস্তক্ষেপ নকৰিবলৈ আৰু অস্ত্ৰৰ যোগান নধৰিবলৈ আহ্বান জনাইছে।

বজাৰ দখলৰ প্ৰতিযোগিতা আৰু সাম্ৰাজ্যবাদ বিস্তাৰৰ আক্ৰোশে চোমালিয়া, বছনীয়া হাৰ্জেগোভেনাৰ পৰা ধৰি আফগানিস্তান আদিত সাম্ৰাজ্যবাদীহঁতৰ অস্ত্ৰৰ কুচকাৱাজে এনেদৰেই জনগণৰ জীৱন দুৰ্বিসহ কৰি তুলিছে।

# নতুন প্ৰজন্মই ওফৰাবই লাগিব প্ৰচলিত ভ্ৰষ্টাচাৰী ব্যৱস্থা

❑ হীৰকজ্যোতি ডেকা

অসমৰ নতুন প্ৰজন্মই বৰ্তমান এনে এক সমাজ ব্যৱস্থাত বসবাস কৰি নিজৰ সম্ভাৱনাময় সোণালী ভৱিষ্যত গঢ়িবলগা হৈছে — যিটো ব্যৱস্থা এটা সম্পূৰ্ণ বিধস্ত তথা সম্ভাৱনাহীন মৃত্যুমুখী ব্যৱস্থা। অন্ধকাৰ ভৱিষ্যতৰ এই প্ৰতিচ্ছৱিখনে নতুন প্ৰজন্মক আজি গভীৰভাবে চিন্তিত কৰি তোলাই নহয়, শংকিতও কৰিছে। আমি আজি যিটো ৰাষ্ট্ৰব্যৱস্থাত জীৱন নিৰ্বাহি কৰিছো, আনহাতে যি ৰাষ্ট্ৰব্যৱস্থাই আমাৰ দৈনন্দিন জীৱনৰ অতীত-বৰ্তমান-ভৱিষ্যত চিন্তা-চৰ্চা, লগতে কৰ্মপন্থা আৰু ইচ্ছা - অনিচ্ছা তথা জীৱন ধাৰণৰ সকলো বিধি ব্যৱস্থাকে নিজৰ স্বাৰ্থত কব্জাবদ্ধ কৰাৰ উপৰি তাক পৰিচালনা কৰাৰ কৌশলগত প্ৰক্ৰিয়া চিৰপ্ৰবাহমান গতিকে এনে সৰ্বনশীয়া ৰাষ্ট্ৰ ব্যৱস্থা এটাক চিৰদিন বাহাল ৰাখিব বিচৰা কথাটো আমাৰ বাবে কেতিয়াও সমৰ্থনযোগ্য হ'ব নোৱাৰে। এনে ভ্ৰষ্টাচাৰী ৰাষ্ট্ৰব্যৱস্থাৰ প্ৰতিটো কাৰ্যকে বিনাপ্ৰতিবাদে অন্ধভাবে মানি লৈ যথেষ্ট সম্ভাৱনাপূৰ্ণ আমাৰ ভৱিষ্যত জীৱনক তিল তিলকৈ নিশ্চিত ধ্বংসৰ গৰাহলৈ ঠেলি নি থকাৰো কোনো প্ৰশ্ন আহিব নোৱাৰে। বৰং পৰিবৰ্তনকামী ধ্যান-ধাৰণাৰে অপদাৰ্থ ৰাষ্ট্ৰব্যৱস্থাক উৎখাত কৰিবলৈ নতুন প্ৰজন্মই জেহাদ ঘোষণা কৰি এক আপোচহীন ঐতিহাসিক সংগ্ৰামৰ পাতনি মেলিব লাগিব।

আমাৰ উপযুক্ত দায়িত্ব আজি কোনে লৈছে ? দেশৰ ৰাষ্ট্ৰৰ তথা জাতিৰ একো একোজন দায়িত্বশীল নাগৰিক হিচাপে আমাক গঢ়ি তোলাৰ সঁচা আগ্ৰহ আৰু সদিচ্ছা লগতে ৰাষ্ট্ৰীয় দায়বদ্ধতা কণ ভাৰতৰাষ্ট্ৰই আজি জানো পালন কৰিছে ? নিজৰ আইক, নিজৰ স্বদেশক প্ৰাণভৰি ভালপোৱাৰ শিক্ষা ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰই আমাক ক'ত দিলে ? বৰঞ্চ জন্মভূমি অসমৰ স্বতন্ত্ৰ জাতীয় সত্বা, সুকীয়া পৰিচয় তথা জাতীয় মান মৰ্যদাক কৌশলেৰে পৰিকল্পিত ভাবে অপমান কৰাৰ লগতে ধ্বংস কৰাৰ গোপন ষড়যন্ত্ৰহে পূৰ্ণগতিত চলাই নিছে আৰু ধ্বংসমুখী তথা চূড়ান্ত ভাবে বিধ্বস্ত সমাজব্যৱস্থা এটাত আমাক আজি মেলি দিয়া হৈছে। য'ত আমি আজি সৰ্বময় ধূঁৱলি-কুঁৱলী দেখিছো। কোনো এটা ব্যৱস্থাই এতিয়া আমাৰ বাবে যথাৰ্থ হৈ থকা নাই। ৰাজনৈতিক, অৰ্থনৈতিক বা সামাজিক-সাংস্কৃতিক কোনো এটা দিশতেই আজি সতত্তা, নিষ্ঠা, উপযুক্ত আদৰ্শ আৰু আমাৰ জাতীয় জীৱন ধাৰাৰ কিঞ্চিতমানো নাম-গোন্ধ পাবলৈ নাই। আনহাতে আমাক জ্ঞান-বুদ্ধি বিবেক দক্ষতাৰ সুবিকাশ ঘটাই সভ্যতা, মানুহক উন্নতিৰ জখলাৰে উন্নততৰ পৰা উন্নতৰ পৰ্যায়লৈ আগবঢ়াই নিবলৈ উৎপাদনৰ আহিলা আৰু নিজ ভূ-খণ্ডৰ সঞ্চিত প্ৰাকৃতিক সম্পদৰাজিৰ সৈতে চিনাকী কৰি দিবলৈ যি জাতীয় শিক্ষা ব্যৱস্থা এটাৰ প্ৰয়োজন তেনে শিক্ষা ব্যৱস্থাৰ বিপৰীতে সাম্ৰাজ্যবাদী ঔপনিবেশিক লুণ্ঠনৰ আৰ্হিৰে দাসত্বসুলভ ভুৱা শিক্ষা পদ্ধতি এটাৰেহে আমাক বৰ বৰ মানুহৰূপে গঢ়াৰ ব্যৱস্থা কৰিলে সাম্ৰাজ্যবাদী আজ্ঞাবাহী ভৃত্য, লুণ্ঠনকাৰী ভাৰতৰাষ্ট্ৰই। এনেদৰেই শিক্ষাব্যৱস্থাৰ নামত তথআকথিত মানুহৰূপে গঢ়ি তোলাৰ নামত — প্ৰচলিত ৰাষ্ট্ৰীয় শিক্ষাব্যৱস্থাই আমাক অমানুহ কৰিছে, নিজৰ স্বদেশ-স্বজাতিৰ মান মৰ্যদা তথা জাতীয়বোধৰ অদম্য স্পৃহাক বিসৰ্জন দিবলৈ বাধ্য কৰোৱাইছে। দাসত্বৰ জীৱন আকোঁৱালি ল'বলৈ বলপূৰ্বক আহ্বান জনাইছে। তদুপৰি বৰ্তমানৰ বিশৃংখল, হতাশগ্ৰস্ত যুৱমানসিকতা আৰু কৰ্মসংস্থাপনহীন জাতীয় হাহাকাৰময় পৰিস্থিতিৰ উদ্ভৱৰো অন্যতম কাৰণ হ:ল ঔপনিবেশিক এই ভুৱা শিক্ষা ব্যৱস্থাটো। সেইবাবে নতুন প্ৰজন্মই আজি এনে বিধ্বংসী তথা অন্তঃসাৰশূন্য, ৰাষ্ট্ৰই জাপি দিয়া প্ৰচলিত শিক্ষা ব্যৱস্থাটো অৱসানৰ বিৰুদ্ধে হুংকাৰ দিব লাগিব আৰু এদিন ইয়াৰ বিলুপ্তিসাধনো নতুন প্ৰজন্মই কৰিব লাগিব।

আনহাতে, দেশ-জাতিক সুস্থ সৱল আৰু শৃংখলাবদ্ধকৈ প্ৰগতিৰ পিনে আগবঢ়াই নিয়া 'ৰাজনৈতিক ক্ষেত্ৰ'খনো আজি তীব্ৰ ঘৃণাৰে নাক কোঁচাই দিবলগীয়া অৱস্থা। বৰ্তমানে দুৰ্নীতি-ভ্ৰষ্টাচাৰত উখল-মাখল খাই থকা ৰাজনৈতিক ক্ষেত্ৰখনৰ পৰা আমি আজি সামান্য আশাও কৰিব পাৰোনে যে আমাক কিবা নতুন পথৰ সন্ধান দিব পাৰিব ? এনে ব্যৱস্থাও আমি অবাধগতিত সৰ্বকালে চলি থাকিবলৈ দিমনে ? তদুপৰি আমাৰ জাতীয় জীৱনৰ লগত কোনো ধৰণৰ সম্পৰ্ক নথকা সাহিত্য-সংস্কৃতি, আৰু স্থিতাৱস্থাবাদী শিল্পী, সাহিত্যিক, বুদ্ধিজীৱী আদিৰ ভুৱা দেশপ্ৰেম, স্বদেশপ্ৰেমৰ নামত ভণ্ডামিৰ আস্ফালনে সহ্য কৰাটো উচিত নহ'ব। ইয়াৰ বিৰুদ্ধেও নতুন প্ৰজন্মই সজাগ হ'ব লাগিব আৰু অসমবাসীৰ স্বতন্ত্ৰ জাতীয় জীৱনক সুনেতৃত্ব দিব পৰাকৈ পৰিবৰ্তনকামী চিন্তা-চৰ্চাৰো উন্মেষ ঘটাব লাগিব। এনেদৰেই বৰ্তমানে অসমৰ সমূহ থলুৱা জাতি জনগোষ্ঠীৰ সু-সমন্বয়ত ঐতিহাসিক ভাবে গঢ় লৈ উঠা উমৈহতীয়া স্বতন্ত্ৰ জাতীয় জীৱনৰ ভেটিটোৰ প্ৰতি প্ৰচণ্ডভাবে আহি পৰা প্ৰতিটো ভাবুকিৰ বিৰুদ্ধে নতুন প্ৰজন্মই কান্ধ পাতি ল'ব লাগিব। তেতিয়াহে আমি নতুন প্ৰজন্মই আত্মসন্মানেৰে জাতীয় মান-মৰ্যদা অটুট ৰাখি আত্মনিৰ্ভৰশীল আৰু স্বতন্ত্ৰ ভাবে এক অতি উন্নত আদৰ্শ তথা ঐক্যবদ্ধ জাতীয় জীৱনৰ ভৱিষ্যত অসম দেশখনৰ যোগ্য উত্তৰাধিকাৰী ৰূপে বসবাস কৰাৰ গৌৰৱ অৰ্জন কৰিব পাৰিম।

লেখকৰ ঠিকনা ঃ প্ৰতিদিন কাৰ্যালয়, গুৱাহাটী।

---

"চিন্তামঞ্চ"ই বিবেচনা কৰে "সাহিত্যৰ বাবে সাহিত্য চৰ্চা" কেতিয়াও শিল্পকৰ্মৰ উদ্দেশ্য হ'ব নালাগে। "মানুহৰ সৰ্বাঙ্গীন উন্নতিয়েই সাহিত্যৰ উদ্দেশ্য" এই দৃষ্টিভঙ্গীৰে যুৱ-ছাত্ৰৰ এক প্ৰগতিশীল আন্দোলন এটাৰ বাবে প্ৰয়োজনীয় বাতাবৰণ সৃষ্টি কৰাৰ লক্ষ্য আগত ৰাখি "চিন্তামঞ্চ"ক আপোনালোকলৈ উচৰ্গা কৰিছো। আন্দোলন মানে আমি কেৱল ধৰ্ণা, ধৰ্মঘটকে বুজোৱা নাই, সুস্থ শৈক্ষিক আৰু বৌদ্ধিক বাতাবৰণ সুস্থ কৰ্ম-সংস্কৃতি আদিও যুৱ ছাত্ৰ-আন্দোলনৰ অন্যতম গুৰুত্বপূৰ্ণ দিশ। সেয়েহে আপোনাৰ লেখনী কেৱল প্ৰতিযোগিতাৰ লক্ষ্য আগত নাৰাখি আমাৰ প্ৰস্তাৱিত সংগ্ৰামৰ সহায়ক হোৱাকৈ প্ৰস্তুত কৰি আমালৈ পঠাওক।

**প্ৰবন্ধ প্ৰতিযোগিতা -**

বিষয় ঃ অসমত কেনে এক যুৱ-ছাত্ৰ আন্দোলন গঢ়ি তোলা উচিত।





OKDISCD

জীয়াই থকাৰ সংগ্ৰামৰ প্ৰশস্ত পথ—

# আত্মসংস্থাপনত ডি. টি. পি

□ প্ৰসেনজিৎ ৰাজখোৱা

*অসমৰ জনগণৰ মাজত আৰ্থ-সামাজিক পটভূমিত কম্পিউটাৰৰ ব্যৱহাৰ ক'ত কেনে ধৰণে কৰিব লাগিব বা কৰা উচিত সেই কথা গভীৰ ভাবে আজিৰ যুৱসমাজে চিন্তা কৰা উচিত। এনে চিন্তা-চৰ্চাৰ মাজতেই ডি. টি. পি. সম্পৰ্কে একান্তই ব্যক্তিগত অভিজ্ঞতাৰ ভিত্তিত সম্যক ধাৰণা দিয়াৰ প্ৰয়াস কৰা হৈছে এই লেখনীত। সচেতন যুৱ সতীৰ্থ সকলৰ পৰা এইক্ষেত্ৰত সুস্থ মতামত তথা বিশেষ জানিব লগা থাকিলে ব্যক্তিগত ভাবেও উত্তৰ দিয়াৰ প্ৰয়াস থাকিব।*

মানৱ জীৱনৰ জীয়াই থকাৰ সংগ্ৰামখনত বিজ্ঞানৰ অগ্ৰগতিয়ে বহুতো জটিল কাম হাতৰ মুঠিলৈ আনি দিছে। বিদ্যালয়-মহাবিদ্যালয়ৰ বা বিশ্ববিদ্যালয়ৰ শিক্ষাৰে পুষ্ট হৈও আজিৰ যুৱ সমাজে জীৱন নিৰ্বাহিৰ সূচল পথ এটাৰ বাবে হাবাথুৰি খাব লগা হৈছে। সেয়েহে ছাত্ৰ-ছাত্ৰী তথা যুৱক-যুৱতী সকলে বৃত্তিমুখী শিক্ষাৰ সন্ধানত গতি কৰিব লগা হয়।

সাম্প্ৰতিক কালত কম্পিউটাৰ শিক্ষা মানুহ মাত্ৰেই অতি প্ৰয়োজন হৈ পৰিছে। বৰ্তমানৰ যুগটোৱেই হৈছে ইলেক্ট্ৰনিক যন্ত্ৰপাতিৰ যুগ। গতিকে কম্পিউটাৰ শিক্ষা অবিহনে শিক্ষা গ্ৰহণৰ সময়ৰ বিচাৰত পিছপৰা বিধৰ হ'বলৈ বাধ্য হোৱা হেতুকে প্ৰায় লোকেই নিজৰ সন্তানক কম্পিউটাৰ শিক্ষা দিবলৈ ব্যগ্ৰ হৈ পৰিছে। ইয়াৰোপৰি দূৰদৰ্শনৰ যোগেদি দেখা পোৱা ইলেক্ট্ৰনিক যন্ত্ৰৰ নব নব আবিস্কাৰৰ ফলত কম্পিউটাৰ শিক্ষাৰ প্ৰতি আকৰ্ষিত হৈ পৰিছে। এইক্ষেত্ৰত শিক্ষিত লোক সকলৰ কম্পিউটাৰ শিক্ষাৰ প্ৰতি থকা এই ধাৰণা বা মোহ নিশ্চয় অমূলক নহয়। বিজ্ঞান চৰ্চাত মেধাৰ উৎকৰ্ষৰ বাবেহে যে কম্পিউটাৰ শিক্ষা লাগে এনে নহয়, এটা ভাল বেতনৰ গ্লেমাৰাছ চাকৰিৰ বাবেও কম্পিউটাৰ শিক্ষা লাভৰ অতিকে প্ৰয়োজন। এটা সময়ত চিকিৎসা বিজ্ঞান বা অভিযান্ত্ৰিক বিদ্যাৰ ছাত্ৰ-ছাত্ৰীসকলৰ যি 'গ্লেমাৰ' আছিল সেই গ্লেমাৰ গৈছে কম্পিউটাৰ বিদ্যাৰ ছাত্ৰ-ছাত্ৰী তথা কম্পিউটাৰ কৰ্মীসকললৈ। ইয়াৰ মূল কাৰণটো হৈছে কম্পিউটাৰ বিদ্যাৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষালাভৰ অন্তত সাধাৰণতে লগে লগেই জীৱিকা নিৰ্বাহিৰ পথ এটা বিচাৰি পায়। চিকিৎসা বিজ্ঞ্যন, কৃষি বিজ্ঞানৰ পৰা জ্যোতিৰ্বিজ্ঞানলৈকে প্ৰতিটো বিষয়তে ব্যৱহাৰ হ'বলৈ ধৰিছে কম্পিউটাৰ। আধুনিক ছপাশালৰ বাবেও ব্যৱহাৰ হৈছে কম্পিউটাৰ। গতিকে কম্পিউটাৰ বিদ্যাৰ লোক এতিয়া সকলো বিভাগতে লাগে। তদুপৰি আমাৰ অসমত নিতৌ প্ৰকাশ পোৱা বাতৰি কাকতৰ প্ৰতিষ্ঠান তথা আধুনিক ছপাশালত ডি. টি. পি. অপাৰেটৰৰ চাহিদা দিনক দিনে বৃদ্ধি পাই আহিছে।

সময় আৰু সভ্যতাৰ অগ্ৰগতিৰ লগে লগে মুদ্ৰন শিল্প বহুদূৰ আগুৱাই গৈছে। জাৰ্মানিৰ নাগৰিক জোহাঞ্চ গুটেন বাৰ্গে মুদ্ৰনৰ দৰে এই মহান শিল্পৰ আবিস্কাৰ কৰাৰ পাছত ক্ৰমান্বয়ে মানুহে নিত্য-নতুন কৌশল উদ্ভাৱনত প্ৰচেষ্টা চলাই আহিছে। অতীতৰ 'লেটাৰ প্ৰেছ' মুদ্ৰন পদ্ধতিৰ পৰা বৰ্তমানৰ Multi Colour Offset পদ্ধতি আৰু আনহাতে Hand Composing ৰ Phototypesetter বা Desk Top Publishing Composing পদ্ধতিলৈকে আহি পাইছেহি।

ডি. টি. পি.। মুদ্ৰন শিল্পৰ এক আধুনিক বাট চ'ৰা হিচাপে সমগ্ৰ বিশ্বতে বিয়পি পৰা ডি. টি. পি. অৰ্থাৎ ডেস্ক টপ্ পাব্লিচিং হৈছে কম্পিউটাৰ শিক্ষাৰ অন্যতম গুৰুত্বপূৰ্ণ বিষয়। যাক অতি সহজতে আয়ত্ত কৰি লোৱাৰ লগতে পঢ়াৰ মাজতে আজৰি সময়ত এই শিক্ষা লৈ উপাৰ্জনৰ পথ প্ৰশস্ত কৰিব পাৰি। ধূলি-বালি নথকা নিৰিবিলি এটা সুন্দৰ পৰিবেশৰ কোঠাত কম্পিউটাৰক আগত লৈ নিজৰ পছন্দৰ মতে ছপা কাম তাৎক্ষণিক ভাবে কৰিব পাৰি। ছবি আঁকা, ফটো তোলা আদি খুউব সহজে কৰিব পৰা হয়। জীৱন স্বচ্ছলতাৰ বাবে কম্পিউটাৰৰ জৰিয়তে অধিক কাম কম সময়ত কৰাৰ সুবিধা।

এজন সুনিপুন ডি. টি. পি অপাৰেটৰ হ'বলৈ হ'লে শিক্ষাৰ্থীজনৰ প্ৰথম মুদ্ৰালিখনৰ জ্ঞান থকাটো অত্যন্ত আৱশ্যক। ধৈৰ্য, আগ্ৰহ আৰু নিষ্ঠা সহকাৰে কাম কৰাৰ মানসিকতা থকাতো ভাল। তদুপৰি শিল্পীসুলভ মনোভাৱ, ভাষা জ্ঞান, বৰ্ণশুদ্ধি, সাহিত্য চৰ্চা আদিত দখল থাকিলে ডি. টি. পি কম্প'জিং কৰাত সুবিধা হয়।

ডি. টি. পি., প্ৰগেমিং, পি. চি. মাষ্টাৰিং, এপ্লিকেশ্বন আদি যিয়েই নহওক কিয় প্ৰথমতে Dos অৰ্থাৎ Disk Operating System আৰু Fundamental জানিব লাগিবই। এই সম্পৰ্কে জনাৰ পিছতহে ডি. টি. পি. সম্পৰ্কে জানিবলৈ যোৱা উচিত।

ALDUS PageMaker 5.0 ৰ এটা Computer ৰ Windows ত কেনেধৰণে কাম কৰা হয় তাৰ প্ৰথম Step টোৰ এটি নিয়ম উল্লেখ কৰা হ'ল। CPU (Central Processing Unit) ৰ Power Button ত Press কৰি On কৰা হয়। কম্পিউটাৰটো যেতিয়া On হ'ব তেতিয়া Keyboard ত WIN Compose কৰি Entre Press কৰিব লাগে। ইয়াৰ পিছত Page Maker Icon ত Click কৰাৰ লগে লগে Windows ত সোমাম। তাৰ পিছত Windows ত কেইখনমান Menu পাম (তালিকা- ১) এই Menu কেইখনৰ প্ৰত্যেকৰে অন্তৰ্গত কিছুমান Information Reference Menu আছে। File Menu, Edit Menu, Utilities Menu, Layout Menu, Type Menu, Element Menu, Window Menu, Help Menu.

এই বিলাকৰ যোগেদি আমি ডি. টি. পিৰ কাম সমূহ Mouse বা Keyboard সহায়ত কৰিব পাৰো। তদুপৰি আখৰ ডাঙৰ, সৰু, যেনেধৰণে আমি বিচাৰো ঠিক সেইমতেই Computer ত Command দিলেই হয়। মাথো Menu বিলাকৰ ব্যৱহাৰ কেতিয়া কোন সময়ত ক'ত কৰিব লাগিব তাক মনত ৰখাটো অতি প্ৰয়োজন।

লেখকৰ ঠিকনা ঃ সেউজ বন, নামচুঙী (পশ্চিম তিতাবৰ), যোৰহাট- ৭৮৫৬২৬।

OKDISCD

## সামৰিক শাসনৰ অৰ্দ্ধ যুগ — দায়ী কোন ?

(৭ পৃষ্ঠাৰ পৰা)

অৰ্থাৎ কথাটো এনেকুৱা

সংখ্যাগৰিষ্ঠৰ ওপৰত এমুঠিমানৰ শোষণ

↓

শোষণৰ বিৰুদ্ধে সংগ্ৰাম

(সংগ্ৰামৰ নেতৃত্ব দায়ী বাহিনী হিচাপে আলফাৰ উত্থান)

↓

শোষিতৰ সংগ্ৰামক দমন কৰাৰ বাবে ৰাষ্ট্ৰৰ সামৰিক সন্ত্ৰাস

আলফাৰ বাবেও এইটো আত্ম বিশ্লেষণৰ বিষয় হোৱা উচিত যে তেওঁলোকে কিমান সঠিক ভাবে শোষিতৰ শোষণ মুক্তিৰ সংগ্ৰামক নেতৃত্ব দিব পাৰিছে। অন্যথা জনগণে তেওঁলোককো এঘৰীয়া কৰিব আৰু পৰিস্থিতিয়ে অৱশ্যেই অন্য নেতৃত্বৰ সৃষ্টি কৰিব। কিন্তু এই কথা পাহৰিলে নচলিব যে ৯০ ৰ ২৮ নবেম্বৰত যি সামৰিক শাসন অসমত জাপি দিয়া হৈছিল, সেয়া কেৱল আলফাৰ বিৰুদ্ধে নহয়, মূলতঃ শোষিত জনগণৰ ওপৰতহে এই অবৈধ সামৰিক হস্তক্ষেপ।

নিৰ্লজ্জ আত্মসমৰ্পনৰ সলনি যদিহে অসম গণ পৰিষদ দলে উদঙাই দিলেহেঁতেন ভাৰতীয় ৰাজনীতিৰ এই স্বৰূপ, ক্ষমতাৰ সোৱাদেই শেষ কথা নহয় অসমৰ জনগণৰ জাতীয় অধিকাৰৰ দাবীত যদি কাৰ্যকৰী ভাবেও সোচ্চাৰ হ'লহেঁতেন আঞ্চলিক সংসদীয় ৰাজনৈতিক দলটো ..... তেনেহলে হয়তো সংসদীয় ৰাজনৈতিক সংকীৰ্ণতাৰ ভিতৰতো অসম গণ পৰিষদেই হ'লহেঁতেন সবাতোকৈ প্ৰগতিশীল এক সংসদীয় ৰাজনৈতিক শক্তি।

অনন্ত কালৰ বাবেই আমি মানি চলিমনে আমাৰ ওপৰত চলি থকা অবৈধ সামৰিক হস্তক্ষেপ ? শোষণ বঞ্চনা?? ৰাইজ সজাগ হ'বৰ হ'ল।❑

---

## সাক্ষাৎকাৰ

(১১ পৃষ্ঠাৰ পৰা)

যুৱ-ছাত্ৰ পৰিষদে সেনা বাহিনী প্ৰত্যাহাৰৰ বাবে অসমৰ সকলো অৰাজনৈতিক ছাত্ৰ সংগঠন, জনগোষ্ঠীয় সংগঠন সমূহক একত্ৰিত কৰি এখন শক্তিশালী যৌথ মঞ্চ গঠনৰ বাবে প্ৰস্তুতি চলাইছে। এই প্ৰচেষ্টাক সংশ্লিষ্ট সকলে সঁহাৰি জনালে সেনাবাহিনী প্ৰত্যাহাৰৰ বাবে শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিব পৰা যাব। তদুপৰি পৰিষদে কেন্দ্ৰীয় চৰকাৰ, অসমৰ পাঁচদলীয় মৰ্চাৰ মন্ত্ৰী-বিধায়ক সকলক শক্তিশালী হেঁচা প্ৰয়োগ কৰি আহিছে। অগপ নেতৃত্বাধীন পাঁচদলীয় মৰ্চা চৰকাৰে সেনাবাহিনী আৰু ক'লা আইন প্ৰত্যাহাৰৰ ক্ষেত্ৰত ব্যৱস্থা নল'লে পৰিষদে অচিৰেই ব্যাপক আন্দোলন গঢ়ি তুলিব। আনহাতে অসমৰ জনগণৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে কোনোধৰণৰ চৰ্ত আৰোপ নকৰাকৈ আলোচনা কৰিবলৈ আগবাঢ়ি আহিব লাগে। চৰকাৰে আলফা, বিডি.এচ.এফৰ ওপৰত থকা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰি আলোচনাৰ বাবে সুস্থ পৰিৱেশ ৰচনা কৰিবলৈ পৰিষদে দাবী জনায়।



## বন্ধু, আপুনি "চিন্তামঞ্চ"ৰ প্ৰতিনিধি হ'ব বিচাৰিছে ?

*"চিন্তামঞ্চ"ৰ বাবে প্ৰতিখন বিদ্যালয়/মহাবিদ্যালয়ৰ পৰা এজনকৈ প্ৰতিনিধি বিচৰা হৈছে। ইচ্ছুকসকলে তলৰ প্ৰপত্ৰখন পুৰাই আবেদন কৰক —*

........................ ইয়াত কাটক ........................

মই ........................................

........................................

বিদ্যালয়/মহাবিদ্যালয়ৰ ........................

শ্ৰেণীৰ ছাত্ৰ/ছাত্ৰী। মোৰ ঘৰৰ ঠিকনা হ'ল -

পিতা ........................................,

গাঁও ........................ ডাক ........................

পিন .................... জিলা ........................ (অসম)।

মই "চিন্তামঞ্চ"ৰ এজন প্ৰতিনিধি হ'বৰ বাবে আবেদন জনালো।

[পাচপ'ৰ্ট ফটো তিনি কপি]

আগতে মোৰ লেখা ........................ প্ৰকাশ হৈছে/ক'তো প্ৰকাশ হোৱা নাই। (যদি হৈছে তেন্তে তাৰ ফটোষ্টেত কপি পঠাব) আবেদন কাৰীয়ে নিজৰ যিকোনো লেখনী আবেদনৰ লগত পঠাব।

ইতি

(আবেদনকাৰীৰ স্বাক্ষৰ)

(বিদ্যালয়/মহাবিদ্যালয়ৰ মুৰব্বীৰ টোকা/চিল-মোহৰ সহ)

........................ ইয়াত কাটক ........................

একেখন বিদ্যালয়/মহাবিদ্যালয়ৰ পৰা একাধিক আবেদন আহিলে চিন্তামঞ্চৰ সম্পাদনা সমিতিয়ে বিবেচনা কৰিব।

(যিসকল আনুস্থানিক ছাত্ৰ নহয় তেনে যুৱক-যুৱতীয়ে "চিন্তামঞ্চ" প্ৰতিনিধিৰ বাবে আবেদন কৰিব পাৰে। সম্পূৰ্ণ ঠিকনা/বৰ্তমান অৱস্থিতি সহ বিতংভাবে লিখক।)

সং: চিং: মং:

এই ঠিকনাত প্ৰেৰণ কৰক —

সম্পাদক, চিন্তামঞ্চ

চকৰি গাওঁ, ডাক - ডিমৰুগুৰি, নগাঁও, অসম।



OKDISCD

# চিন্তামঞ্চ (অসম)ৰ সামগ্ৰীক ঘোষণা

## (লক্ষ্য-উদ্দেশ্য সম্পৰ্কত)

- এক নব্যগণতান্ত্রিক আন্দোলনৰ ধাৰা সৃষ্টি কৰা।
- সাম্প্ৰতিক শিক্ষা ব্যৱস্থাৰ কেৰোণ বোৰৰ বিপৰীতে এক জীৱিকামুখী শিক্ষা ব্যৱস্থা প্ৰণয়নৰ বাবে সংগ্ৰাম গঢ়ি তোলা।
- ছাত্র শক্তিৰ মাজত আৰু ছাত্ৰশক্তিৰ জৰিয়তে ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক সচেতনতা গঢ়ি তোলা।
- ছাত্র সংগঠনটোৱে ৰাজ্যসমূহলৈ পূৰ্ণ স্বায়ত্ত শাসনৰ পোষকতা কৰে।
- "আনুস্থানিক শিক্ষাই যথেষ্ট নহয়। সমাজ পৰিবৰ্তনৰ শিক্ষাহে প্ৰকৃত শিক্ষা'। সেই শিক্ষাৰে শিক্ষিত কৰি তোলা। সমাজ পৰিবৰ্তনৰ বাবে বাস্তৱিক শিক্ষা কেৱল মাৰ্ক্সীয় দৰ্শনেহে দিব পাৰে বুলি সংগঠনে বিশ্বাস কৰে।
- অসমৰ থলুৱা আৰু খিলঞ্জীয়া জাতি জনগোষ্ঠীসমূহৰ পক্ষত থাকি উক্ত জাতি-জনগোষ্ঠীসমূহক স্বকীয়তা ৰক্ষা কৰাৰ লগতে আত্মৰক্ষাৰ বাবে ছাত্র হিচাপেই সংগ্ৰামত লিপ্ত হোৱা। অসমৰ জাতি-জনগোষ্ঠীসমূহৰ সকলো ধৰণৰ শোষণ নিপীড়নৰ অন্ত পেলাই এক সমাজবাদী সমাজ প্ৰতিষ্ঠাৰ সংগ্ৰামত অংশ গ্ৰহণ কৰা।
- জাতি গোষ্ঠী ধৰ্মভিত্তিক গঢ়ি উঠা সাম্প্ৰদায়িকতাবাদৰ বিৰোধিতা কৰা।
- শ্ৰমজীৱি জনগণৰ পক্ষত থাকি তেওঁলোকৰ সমস্যাক উৰ্ধত তুলি ধৰা আৰু তেওঁলোকৰ সংগ্ৰামক পাৰ্যমানে সহায় কৰা।
- সংসদীয় গণতন্ত্ৰৰ যিকোনো ৰাজনৈতিক দলৰ পৰা দূৰত্ব বজাই ৰখা।
- সমভাৱাপন্ন ছাত্র সংগঠনৰ লগত প্ৰয়োজন সাপেক্ষে উমৈহতীয়া কাৰ্যসূচী লোৱা।
- অসম তথা অসমৰ বাহিৰৰ সমভাৱাপন্ন সংগঠনৰ লগত বন্ধুত্বপূৰ্ণ সম্পৰ্ক ৰক্ষা কৰা। ❑

**অহা সংখ্যাৰ আকৰ্ষণ ঃ**

**"শিল্প সাম্প্ৰদায়িকতাৰ উৰ্দ্ধত" - সাক্ষাৎকাৰ ভিত্তিক প্ৰতিবেদন**

- ❑ **উদয়াদিত্য ভৰালীৰ কলম**
- ❑ **অদীপ ফুকনৰ প্ৰৱন্ধ**
- ❑ **অসমৰ যুৱ সমাজ আৰু সাংস্কৃতিক আন্দোলন সম্পৰ্কে প্ৰদীপ শৰ্মাৰ লেখনী**

❑সম্পাদকদ্বয় ঃ হেমন্ত কুমাৰ শইকীয়া, চন্দনা চমুৱা ❑সহঃ সম্পাদক ঃ প্ৰণৱ কুমাৰ বৰা।
ব্যৱস্থাপক ঃ কুমুদ বৰা, হৃষিকেশ কাশ্যপ

*"চিন্তামঞ্চ (অসম)" ৰ হৈ দুলাল বৰাৰ দ্বাৰা চকৰি গাঁও, ডাক - ডিমৰুগুৰি, নগাৱৰ পৰা প্ৰকাশিত আৰু বৰকটকী কোঃ এণ্ড প্ৰাঃ লিঃ যোৰহাট- ১ত মুদ্ৰিত।* মূল্য ঃ **পাঁচ টকা মাত্ৰ**

❑

QkDISCD